Content includes AI-generated material

চচলত বিশেষ
টেট উত্তীৰ্ণৰ অনশন



বিতং বাতৰি ৮ নং পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, FEBRUARY 19, 2025 ■ বুধবাৰ, ৬ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৫৪ Guwahati, Assam ।। মূল্যঃ এটকা

ৰাজসাক্ষীৰ কথাৰ ভিত্তিত বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনৰ পৃষ্ঠাই পৃষ্ঠাই অনেক কথা, অনেক কাহিনী

# তিনি বছৰ পিছত ৰাজহুৱা এপিএছচিৰ কেলেংকাৰীৰ প্ৰতিবেদন

## আয়োগে নিযুক্তি বাতিলৰ পৰামৰ্শ দিয়া বিষয়াক পাকিস্তানী শ্বেখ গোচৰৰ দায়িত্ব

### কংগ্ৰেছেই মূল খলনায়কঃ বিজেপি



ই-সংবাদ, ১৮ ফেব্ৰুৱাৰীঃ অসম লোক সেৱা আয়োগৰ 'কেছ-ফৰ-জব' কেলেংকাৰী ৫ পৃষ্ঠাত

শীঘ্ৰে অধিক তদন্তৰ দাবী

### প্ৰতিবেদনক আদৰণি জনালে কংগ্ৰেছ দলে

গুৱাহাটী, ১৮ ফেব্ৰুৱাৰীঃ অসম লোকসেৱা আয়োগৰ নিযুক্তি খেলিমেলি সন্দৰ্ভত বিপ্লৱ শৰ্মা আয়োগে দাখিল কৰা প্ৰতিবেদনক অসম ৪ পৃষ্ঠাত


### অভিযুক্তৰ তালিকাত ক'তো নাম নাই ৰাজনীতিকৰ! অখিলে ক'লে, 'প্ৰতিবেদন আধৰুৱা'

ই-সংবাদ, ১৮ ফেব্ৰুৱাৰীঃ অসম লোকসেৱা আয়োগৰ ২০১৩-১৪ বৰ্ষত সংঘটিত কেলেংকাৰীক তদন্তকাৰী বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ শেষাংশ ২ পৃষ্ঠাত



■ কেলেংকাৰীৰ আচল খলনায়ক হিমন্ত বিশ্ব শৰ্মাঃ অখিল গগৈ ■ ৰাকেশ পালৰ ভাতৃ ক'ত গ'ল বুলি প্ৰশ্ন

ই-সংবাদ, গুৱাহাটী, ১৮ ফেব্ৰুৱাৰীঃ ৰাজ্য জোকাৰি যোৱা এপিএছচি কেলেংকাৰীৰ তদন্ত আয়োগে প্ৰতিবেদন দাখিল কৰাৰ তিনি বছৰ পিছত ৰাজহুৱা শেষাংশ ৬ পৃষ্ঠাত


REPORT
OF
THE ONE MAN INQUIRY COMMISSION
CONSTITUTED TO INQUIRE INTO THE ALLEGATIONS AND MALPRACTICES IN CONDUCT OF EXAMINATION BY ASSAM PUBLIC SERVICE COMMISSION (APSC) THE RESULT OF WHICH WAS DECLARED ON 16TH JUNE, 2016
Headed by Justice B.K. Sharma, Former Judge, as the Chairman
VOLUME-I

### গৌৰৱৰ বিয়াত ৰাকেশৰ উপহাৰ


ই-সংবাদ, ১৮ ফেব্ৰুৱাৰীঃ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ কাৰ্যকালৰ শেষৰ বছৰ কেইটাত অসম লোকসেৱা ৩ পৃষ্ঠাত

### মাস্কৰ টেছলা আহিব ভাৰতলৈ

নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰীঃ মোদী-মাস্কৰ বৈঠকৰ পিছতে ভাৰতীয় বজাৰত ৫ পৃষ্ঠাত

### কমল কুমাৰ মেধিয়েও পাইছিল ৩ লাখ টকা!

মেধিয়ে দিলে স্পষ্টীকৰণ, 'মই লোৱা নাই, আইনৰ কাষ চাপিম'



ই-সংবাদ, ১৮ ফেব্ৰুৱাৰীঃ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনত কমল কুমাৰ মেধিয়ে ৩ লাখ টকা লোৱা বুলি গুৰুতৰ অভিযোগ ২ পৃষ্ঠাত

### ৰাকেশ পালেৰে যোগাযোগ! দুলাল বৰা, তিৱাৰী, সমুজ্জ্বল ভট্টাচাৰ্যৰ নাম

ই-সংবাদ বিশেষ, ১৮ ফেব্ৰুৱাৰীঃ অসম লোকসেৱা আয়োগৰ তদানীন্তন অধ্যক্ষ ৰাকেশ পালে বিভিন্ন কূট-কৌশলেৰে সংঘটিত কৰা বিয়াগোম চাকৰি কেলেংকাৰীক ৩ পৃষ্ঠাত

চিএম ভিজিলেন্সৰ গোচৰ

### চিকিৎসক মৃদুপৱন নাথক পুনৰ গ্ৰেপ্তাৰ

ই-সংবাদ, ১৮ ফেব্ৰুৱাৰীঃ বিতৰ্কিত চিকিৎসক ডাঃ মৃদুপৱন নাথক পুনৰ গ্ৰেপ্তাৰ কৰিছে মুখ্যমন্ত্ৰীৰ ৪ পৃষ্ঠাত

সংবাদমেলত বিশেষ ঘোষণা সভাপতি বসন্ত ভূঞাৰ

### সাহিত্য সভাত হ'ব 'এক ব্যক্তি, এক পদ' নীতি

ই-সংবাদ, যোৰহাট, ১৮ ফেব্ৰুৱাৰীঃ অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতি গঠনত এক ব্যক্তি এক পদ নীতি ৪ পৃষ্ঠাত




### বিহপান কৰি প্ৰেমিক-প্ৰেমিকাই সাবতিলে মৃত্যু

পুৰণিগুদামত চাঞ্চল্য

ই-সংবাদ, পুৰণিগুদাম, ১৮ ফেব্ৰুৱাৰীঃ প্ৰেমৰ পৰিণতিত এগৰাকী ১৬ বছৰীয়া ৬ পৃষ্ঠাত

### 'টাইপা'ৰ বিৰুদ্ধে ৰাজ্যজুৰি শংকৰ সংঘৰ এজাহাৰ

ই-সংবাদ, গুৱাহাটী-বেবেজীয়া, ১৮ ফেব্ৰুৱাৰীঃ সোণাৱিত টাই আহোম যুৱ পৰিষদ চমুকৈ টাইপাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান দাহ কৰাৰ পাছতেই সমগ্ৰ অসমতে ইয়াকে লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ঘটনাক শ্ৰীমন্ত শংকৰদেৱ সংঘই তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে সংঘৰ একাধিক

সমুখ সমৰত টাইপা-শংকৰদেৱ সংঘ, টাইপাৰ কাৰ্যক গৰিহণা

শাখাই নিজ নিজ স্থানৰ আৰক্ষী থানাত টাইপাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে। বিষয়টো সন্দৰ্ভত সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অভিযুক্তৰ তালিকাত ক'তো

প্ৰতিবেদনত পিএছঅ'ৰ পৰা উচ্চপদস্থ বিষয়াক অভিযুক্ত কৰা হৈছে যদিও অভিযুক্তৰ তালিকাত নাম নাই কোনো ৰাজনীতিকৰ। অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ পালৰ পৰা আৰম্ভ কৰি সদস্য চামেদুৰ ৰহমানৰ পিএছঅ'ক অভিযুক্ত কৰা হৈছে যদিও কোনো ৰাজনীতিকৰ নাম অভিযুক্ত ৰূপে অন্তৰ্ভুক্ত কৰা হোৱা নাই। আজি এক সংবাদমেলত এই অভিযোগ কৰে একালত উক্ত কেলেংকাৰীক লৈ সৰৱ হৈ পৰা অখিল গগৈয়ে। উল্লেখ্য যে চৰকাৰক দাখিল কৰাৰ প্ৰায় ৩ বছৰ পিছত ৰাজহুৱা কৰা প্ৰতিবেদনখনত ২০১৩ চনৰ পৰা ২০১৫ চনলৈ অসম লোকসেৱা আয়োগৰ চাকৰি পোৱা সকলোকে চাকৰিৰ পৰা বৰ্খাস্ত কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। প্ৰতিবেদনখনত এপিএছচিৰ অধ্যক্ষ ৰাকেশ পাল, সদস্য চামেদুৰ ৰহমান, বসন্ত কুমাৰ দলৈ, ৰঞ্জিত বৰঠাকুৰ, বিনিতা ৰিমজা, পৰীক্ষা নিয়ন্ত্ৰক নন্দ বাবু সিং, সহ পৰীক্ষা নিয়ন্ত্ৰক পবিত্ৰ কৈৱৰ্ত, জ্যেষ্ঠ প্ৰশাসক আব্বাছ আহমেদ আলী, চৈয়দ মোশ্বাৰফ হুছেইন, পিএছঅ' মামুদ আলী চৌধুৰী, ডিব্ৰুগড়ৰ নগৰ উন্নয়নৰ বিভাগৰ অভিযন্তা নৰ কুমাৰ পাটিৰ, ৰাজীৱ পাল, চন্দীপ পল, পশুপালন চিকিৎসা বিভাগৰ মৃগেন শইকীয়াক অভিযুক্ত কৰা হৈছে। কিন্তু সকলোতকৈ আঁচৰিত কৰি প্ৰতিবেদনত এজনো ৰাজনীতিকক অভিযুক্ত কৰা হোৱা নাই। প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসে ৬০ লাখ টকা দি পৰিয়ালৰ তিনিজনকৈ লোকক চাকৰি দিয়া বুলি অভিযোগ অনা হৈছে যদিও অভিযুক্ত কৰা হোৱা নাই। গুৰুজ্যোতি দাসে খুলশালীসহ ৯ আত্মীয়ক যেনে, লীনা দাস, নিৰ্মালী দাস, ভাৰ্গৱমুণি দাস, মনদীপ দাস, ডঃ দেৱাশীষ দাস, নৰেশ্বৰ দাস, কল্পনা দাস, থানুৰাম দাস আৰু দেৱেন্দ্ৰ দাসক বক্ৰপথেৰে চাকৰি দিছিল। আগতীয়াকৈ প্ৰশ্নকাকত দিয়া হৈছিল ভাৰ্গৱমণি দাসক। সহকাৰী পৰীক্ষা নিয়ন্ত্ৰক পবিত্ৰ কৈৱৰ্তৰ ঘনিষ্ঠ প্ৰাক্তন বিধায়ক দাসৰ নাম ৰহস্যজনকভাৱে প্ৰতিবেদনত অভিযুক্ত কৰা হোৱা নাই। তেতিয়াৰ বিধায়িকা সুমিত্ৰা পাটিৰে পৰিয়ালৰ তিনিগৰাকী প্ৰাৰ্থীক বক্ৰপথেৰে চাকৰি দিছিল। সুমিত্ৰা পাটিৰৰ পুত্ৰ কাৰপুন পাটিৰৰ সহ তিনিজনক চাকৰি দিয়াৰ অভিযোগ আছে। তেতিয়াৰ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চাকৰি দিবলৈ ৰাকেশ পালক তালিকা দিয়া বুলি অভিযোগ উত্থাপন হৈছিল যদিও হিমন্ত বিশ্ব শৰ্মাৰ নাম কটোৱেই উল্লেখ নাই। তেতিয়াৰ আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কেইবাগৰাকী প্ৰাৰ্থীক চাকৰি দিয়া বুলি অভিযোগ উত্থাপন হৈছিল যদিও সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যক অভিযুক্ত কৰা হোৱা নাই। ৰাকেশ পালৰ সৈতে বিশেষ ফটো ভাইৰেল হৈছিল ভট্টাচাৰ্যৰ। কিন্তু সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যক ২০১৩-১৪ চনত লোকসেৱা আয়োগত এপিঅছ চাকৰি পোৱা জন দাস নামৰ এজন এপিএছৰ ঘনিষ্ঠ বুলি প্ৰতিবেদনত কোৱা হৈছে। ইফালে, আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে এই প্ৰতিবেদনখন আধৰুৱা বুলি অভিযোগ উত্থাপন কৰে। অখিল গগৈয়ে প্ৰতিবেদনত হিমন্ত বিশ্ব শৰ্মা, গুৰুজ্যোতি দাস, সুমিত্ৰা পাটিৰ, সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্যৰ নাম প্ৰতিবেদনত পোনপটীয়াকৈ উল্লেখ নথকাত প্ৰতিবেদনক লৈ সন্দেহ ব্যক্ত কৰিছে। আদালতত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে সঠিক উত্তৰ দিব নোৱাৰাত ১৯গৰাকী অভিযুক্ত এচিএছ আৰু এপিএছে আদালতৰ দ্বাৰা পুনৰ চাকৰি লাভৰ পথ প্ৰশস্ত হোৱাত যেতিয়া ৰাজ্যজুৰি হৈ-হাল্লা হ'ল তেতিয়াহে প্ৰতিবেদন ৰাজহুৱা কৰিবলৈ বাধ্য হৈছে চৰকাৰ। ২০২২ চনৰ ২১ মাৰ্চতে চৰকাৰৰ হাতত জমা দিয়া প্ৰতিবেদনখন ২০২৫ চনৰ ১৭ মাৰ্চত প্ৰকাশ কৰা হৈছে। কেলেংকাৰীক গাপ দিবলৈ ৩ বছৰে গাপ দিয়া হৈছিল প্ৰতিবেদন। কিয়নো এপিএছচি কেলেংকাৰীৰ এজন ডাঙৰ অভিযুক্ত ৰূপে হিমন্ত বিশ্ব শৰ্মাৰ নাম ওলাইছিল। অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে কৈছিল যে হিমন্ত বিশ্ব শৰ্মাই তেওঁক বচাই দিছে। এই কেলেংকাৰীত অসমৰ মুখ্যমন্ত্ৰীৰ নাম অভিযুক্ত আছিল। কিন্তু প্ৰতিবেদনত হিমন্ত বিশ্ব শৰ্মাৰ নাম নাই। এই কেলেংকাৰী কেইবাগৰাকী বিষয়াই লগ লাগি কৰা কেলেংকাৰী নাছিল। সেয়া সম্ভৱ নহয়। ৰাজনৈতিক ভাৱে জড়িত শ্ৰেণীটোক ইয়াত দোষী সাব্যস্ত কৰা হোৱা নাই। তৰুণ গগৈক দোষী সাব্যস্ত কৰা হোৱা নাই। গোটেই কেলেংকাৰী ৰক্ষণা-বেক্ষণ দিয়া বুলি হিমন্ত বিশ্ব শৰ্মাৰ নাম উল্লেখ হৈছিল। প্ৰতিবেদনত হিমন্ত বিশ্ব শৰ্মাৰ নাম নাই। আছুৰ উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য এই কেলেংকাৰীক জড়িত বুলি অভিযোগ উঠিছিল। সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ নাম নাই। প্ৰাক্তন বিধায়ক বিজেপিৰ গুৰুজ্যোতি দাসৰ নাম নাই। ৬০ লাখ টকা দিয়া বুলি দেখুওৱা হৈছে কিন্তু অভিযুক্ত কৰা হোৱা নাই। বিপ্লৱ কুমাৰ শৰ্মা প্ৰতিবেদন আধৰুৱা। কেৱল আমোলাক দোষী সাব্যস্ত কৰিছে। শৰ্মাই এটা কথছা কৈছে যে এটা বিশ্বস্ত তদন্তকাৰী সংস্থাৰ দ্বাৰা তদন্ত কৰিব লাগে। চিবিআইৰ হাতত তদন্তৰ দায়িত্ব দিয়ক। সকলো জেৰা কৰিব পৰা ক্ষমতা দিব লাগে। অখিল গগৈয়ে তৰুণ গগৈক খলনায়ক আখ্যা দি ৰাকেশ পালক অধ্যক্ষ নিযুক্তি দিয়াটোৱে ভুল আছিল বুলি কয়। এপিএছচিৰ আচল খলনায়ক হিমন্ত বিশ্ব শৰ্মা বুলি দাবী কৰি অখিল গগৈয়ে কয় যে ৰাকেশ পালক ৰক্ষণা-বেক্ষণ দিয়া, ৰাকেশ পালৰ পৰা টকা লোৱা, ৰাকেশ পালৰ জৰিয়তে টকা লোৱা মেইন মানুহজন হৈছে হিমন্ত বিশ্ব শৰ্মা। এপিএছচি কেলেংকাৰীৰ আটাইতকৈ ডাঙৰ দুৰ্ধৰ্ষ অপৰাধী হৈছে হিমন্ত বিশ্ব শৰ্মা। গৌৰৱ গগৈৰ বিয়াত উপহাৰ দিয়া বুলি গৌৰৱ গগৈক দোষী কৰিব পাৰি নেকি। এই সকলো কথা টানি অনা হৈছে। সেই কথাটো লিখিব নালাগিছিল। গৌৰৱ গগৈৰ, অখিল গগৈৰ নাম সাঙুৰি দিয়াটো পলিটিক্স। হিমন্ত বিশ্ব শৰ্মাৰ নামটো ভৰোৱা নাই। ভট্টাচাৰ্য আৰু শৰ্মাৰ নাম ভৰোৱা নাই। বিপ্লৱ কুমাৰ শৰ্মাই গৌৰৱ গগৈ আৰু অখিল গগৈৰ নামটো কৰবাত নহয় কৰবাত লগাই থৈ দিছে। বিয়াত দিয়া উপহাৰ কোনে খুলি চাই ভাই বুলি গগৈয়ে। অখিল গগৈয়ে এপিএছচিৰ কেলেংকাৰীৰ বিৰুদ্ধে প্ৰতিবাদ কৰা একমাত্ৰ সংগঠন কৃষক মুক্তি আৰু ছাত্ৰ মুক্তি মুক্তি বুলি কৈ এই দুয়োটা সংগঠনৰ বাহিৰে পৃথিবীৰ অন্য কোনো সংগঠনে এই দুৰ্নীতি পোহৰলৈ অনাৰ কৃতিত্ব দাবী কৰিব নোৱাৰে বুলি কয়। অখিল গগৈয়ে কয় যে গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন ৪৮/২০১৫ নং গোচৰ দি দুৰ্নীতিৰ তদন্ত বিচাৰিছিলো। সেই গোচৰৰ ভিত্তিতেই ২০১৩-২০১৪ বৰ্ষৰ পৰীক্ষা বহীসমূহ সংৰক্ষিত কৰিবলৈ নিৰ্দেশ দিছিল। পৰীক্ষা বহীসমূহ সংৰক্ষিত হৈ নথকাহেঁতেন আজি তদন্ত কৰিবই নোৱাৰিলেহেঁতেন। আদালতৰ নিৰ্দেশ অনুসৰি আয়োগ গঠন হোৱা বুলিও দাবী কৰিছে বুলি দাবী কৰিছে গগৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিকিৎসক মৃদুপৱন নাথক পুনৰ গ্ৰেপ্তাৰ

তদাৰকী কোষে। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে গুৱাহাটীৰ ভঙাগড়ৰ শিৱা নামৰ হোটেলখনৰ পৰা গ্ৰেপ্তাৰ কৰিছে চিকিৎসক মৃদুপৱন নাথক। হোটেলখনত আত্মগোপন কৰি থকা অৱস্থাত গ্ৰেপ্তাৰ কৰা হৈছে। কিয়নো মৃদুপৱন নাথক তদাৰকী কোষে হাজিৰ হ'বলৈ নিৰ্দেশ দিছিল যদিও হাজিৰ হোৱা নাছিল। বিশেষ খবৰৰ ভিত্তিত হোটেলখনত অভিযান চলাই গ্ৰেপ্তাৰ কৰা হৈছে নাথক। জানিব পৰা মতে, পূৰ্বেই তেওঁৰ বিৰুদ্ধে আয় বহিৰ্ভূত ধন-সম্পত্তিৰ বিৰুদ্ধে ৮/২৪ নম্বৰত আৰু মঙলদৈ আৰক্ষী থানাত ২৩২/২০২৪ নম্বৰত ৰুজু গোচৰত গ্ৰেপ্তাৰ কৰা হৈছিল। সেই একেই গোচৰৰ ভিত্তিত পুনৰ গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰৰ সময়ত এখন বাহন জব্দ কৰা হৈছে। আগৰবাৰ গ্ৰেপ্তাৰ কৰি মহানগৰীৰ ৰুক্মিণীগাঁৱৰ বাসগৃহত অভিযান চলোৱাৰ সময়ত লাখ লাখ নগদ ধন, সম্পত্তিৰ নথি লাভ উদ্ধাৰ হৈছিল। মঙলদৈৰ জেএছএম নাৰ্চিংহোমত মৃদুপৱন নাথে ধন বিনিয়োগ কৰিছিল। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে জেএছএম নাৰ্চিংহোমক উত্তৰ বিচাৰি পত্ৰ প্ৰেৰণ কৰিছিল। কিন্তু নাৰ্চিংহোম কৰ্তৃপক্ষৰ অজ্ঞাতে নিজেই ভুৱা প্ৰতিবেদন দাখিল কৰিছিল মৃদুপৱন। এই অভিযোগ আনি নাৰ্চিংহোম কৰ্তৃপক্ষই মৃদুপৱনৰ বিৰুদ্ধে গোচৰ তৰিছিল। ইপিনে অসম চিকিৎসা পঞ্জীয়ন পৰিষদে বিগত বৰ্ষৰ ২২ জুলাইতে নাথৰ চিকিৎসকৰ স্বীকৃতি বাতিল কৰিছিল। স্বীকৃতি বাতিল কৰাৰ পিছতো ব্যক্তিগত হাস্পতালত চিকিৎসা সেৱা প্ৰদান কৰিছিল। আনহাতে প্ৰথমা পত্নীৰ সৈতে বিবাহ বিচ্ছেদ নকৰাকৈ দ্বিতীয় বিবাহ কৰোৱাৰ অভিযোগ উত্থাপন হৈছিল। প্ৰথমা পত্নীয়ে ভঙাগড় থানাত এজাহাৰ দাখিল কৰিছিল।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# প্ৰতিবেদনক আদৰণি জনালে

প্ৰদেশ কংগ্ৰেছ কমিটিয়ে আদৰণি জনাইছে। ২০১৩-১৪ বৰ্ষত নিয়ম বৰ্হিভূতভাৱে যদি নিযুক্তি হৈছিল তাৰ উচিত তদন্ত হ'ব লাগে আৰু অনিয়ম সংঘটিত কৰা লোকসকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই অসম লোকসেৱা আয়োগক কেতিয়াও ৰাজনীতিকৰণ কৰা নাছিল আৰু আয়োগক সম্পূৰ্ণ নিকা আৰু স্বচ্ছতাৰে কাম কৰাৰ সুযোগ আৰু সুবিধা প্ৰদান কৰিছিল। এই কথা সেই সময়ৰ আয়োগৰ লগত জড়িত সকলো বিষয়া-কৰ্মচাৰী আৰু অসম চৰকাৰৰ উচ্চপদস্থ আমোলাসকলে জানে। লক্ষণীয় কথাটো হ'ল লোকসেৱা আয়োগৰ অধ্যক্ষৰ লগত অতি ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰিছিল বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। সংবাদ মাধ্যমত এইবুলিও বাতৰি প্ৰকাশ হৈছিল যে বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সেই সময়ত প্ৰস্তুত কৰা প্ৰাৰ্থীৰ তালিকা লোকসেৱা আয়োগৰ অধ্যক্ষ ৰাকেশ পালৰ ফ্লেটত পোৱাৰ বাবে তদন্ত লেহেমীয়া হৈছিল। এইখন চৰকাৰে বৰ্তমানলৈকে ৰাকেশ পালৰ ভাতৃৰ সন্ধানেই উলিয়াব পৰা নাই। ৰাকেশ পালৰ ভাতৃৰ ছপাশালতেই এপিএছচিৰ প্ৰশ্নকাকত প্ৰস্তুত হোৱা বুলি অভিযোগ উঠিছিল। লক্ষণীয়ভাৱে বিজেপিৰ এজন বিধায়ক গুৰুজ্যোতি দাসৰ খুলশালীসহ ৯ আত্মীয় লীনা দাস, নিৰ্মালী দাস, ভাৰ্গৱমুণি দাস, মনদীপ দাস, ড০ দেৱাশিষ দাস, নৰেশ্বৰ দাস, কল্পনা দাস, থানুৰাম দাস আৰু দেৱেন্দ্ৰ দাসক বক্ৰপথেৰে চাকৰি দিছিল। আগতীয়াকৈ প্ৰশ্নকাকত দিয়া হৈছিল ভাৰ্গৱমণি দাসক। সহকাৰী পৰীক্ষা নিয়ন্ত্ৰক পৱিত্ৰ কৈৱৰ্তৰ ঘনিষ্ঠ প্ৰাক্তন বিধায়ক দাসৰ নাম ৰহস্যজনকভাৱে প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰা হোৱা নাই। স্বচ্ছ আৰু নিকা প্ৰশাসনৰ নামত বিজেপি চৰকাৰে কিমান দুৰ্নীতি কৰিছে সেই কথা কেগৰ পৃষ্ঠাই পৃষ্ঠাই লিপিৱদ্ধ হৈছে। দুৰ্নীতিৰ সদাগৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ৰক্ষণাবেক্ষণ দিবলৈ গৈ আজি বিজেপিৰ সভাপতিয়ে যি নিকা ভাৱমূৰ্তিৰ প্ৰমাণপত্ৰ দিছে সেয়া হাস্যকৰ। উল্লেখ্য যে, এই প্ৰতিবেদনখন ৩ বছৰ ধৰি পেলাই থোৱা হৈছিল। এতিয়া নিৰ্বাচনলৈ এবছৰ বাকী থকা অৱস্থাত প্ৰতিবেদনখন ৰাজনৈতিকভাৱে ব্যৱহাৰ কৰিব খোজা হৈছে। কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই এক বিবৃতিত এইদৰে কয়।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# কমল কুমাৰ মেধিয়েও পাইছিল

উত্থাপন কৰিছে ৰাজসাক্ষী মৃগেন শইকীয়াই। মেধিৰ এই অভিযোগক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। লোকসেৱা আয়োগৰ কেলেংকাৰীৰ বিৰুদ্ধে সেই সময়ৰ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক কমল মেধি, মুখ্য উপদেষ্টা অখিল গগৈয়ে তীব্ৰ আন্দোলন সাব্যস্ত কৰিছিল। অখিল গগৈ দুবাৰকৈ জেললৈ গৈছিল। কিন্তু সেই সময়ত আন্দোলনৰ নাম লৈ কৃষক মুক্তিৰ নেতাই ধন ঘটিছিল নেকি বুলি প্ৰশ্ন উত্থাপন হ'ব ধৰিছে। প্ৰতিবেদনত মৃগেন শইকীয়া নামৰ অভিযুক্ত তথা ৰাজসাক্ষীজনে উল্লেখ কৰা মতে, দুৰ্নীতিৰ সম্ৰাট অধ্যক্ষ ৰাকেশ পালে অখিল গগৈকে সাক্ষাৎ কৰিব বিচাৰিছিল যদিও অখিল গগৈয় বৈঠকৰ প্ৰস্তাৱ নাকচ কৰিছিল। বৈঠক অনুষ্ঠিত কৰা মধ্যস্থতাকাৰী আছিল মৃগেন শইকীয়াই। তেতিয়া কমল কুমাৰ মেধিক সাক্ষাৎ কৰিব কৈছিল অখিল গগৈয়ে। অখিল গগৈৰ কথা মতেই মৃগেন শইকীয়াই কমল কুমাৰ মেধিক সাক্ষাৎ কৰিছিল আৰু কমল কুমাৰ মেধিক ৩ লাখ টকা দিয়া বুলি ৰাজসাক্ষী মৃগেন শইকীয়াই অভিযোগে আনিছে। কিন্তু সেই টকা চেকযোগে, বেংক একাউণ্টত ট্ৰান্সফাৰ কৰিছিল নে নগদ দিছিল সেই কথা উল্লেখ নাই প্ৰতিবেদনত। কিন্তু অখিল গগৈৰ হৈ কমল মেধিয়ে ৩ লাখ টকা অভিযোগৰ ৰাইজে সত্যাসত্যতা জানিব খোজে। কিয়নো এপিএছচিৰ কেলেংকাৰীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি ধন ঘটাৰ ফান্দ পাতিছিল নেকি বুলি অভিযোগ উত্থাপন হৈছে। ৩ লাখ টকা লোৱা অভিযোগ সন্দৰ্ভত অখিল গগৈয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি তেওঁ টকা লোৱাৰ কথা নস্যাৎ কৰে। লগতে অখিল গগৈয়ে কমল কুমাৰ মেধিক বিষয়টো স্পষ্ট কৰিবলৈ আহ্বান জনায়। অখিল গগৈয়ে কয় যে আয়োগৰ প্ৰতিবেদনৰ দ্বিতীয় খণ্ডৰ ৫০৭ পৃষ্ঠাত মোৰ নামত বৰ্তমানৰ বিজেপি নেতা কমল কুমাৰ মেধিয়ে ২০১৪ চনত ৩ লাখ টকা খোৱা বুলি ওলাইছে। কমল মেধিয়ে ৰাজহুৱাকৈ স্পষ্টীকৰণ দিয়ক। তাৰ কেইটামান ঘণ্টাৰ পিছতে কমল কুমাৰ মেধিয়ে এটা ভিডিঅ' পোষ্ট কৰি নিজ স্থিতি স্পষ্ট কৰি টকা লোৱাৰ অভিযোগ নস্যাৎ কৰে। ৰাজসাক্ষীৰ অভিযোগ আৰু অখিল গগৈয়ে স্পষ্টিকৰণ বিচৰাত কমল কুমাৰ মেধিয়ে প্ৰায় চাৰি ঘণ্টাৰ মূৰকত এটা ভিডিঅ' পোষ্ট দি অভিযোগক লৈ স্পষ্টিকৰণ দিয়ে। মেধিয়ে সন্তোষজনক স্পষ্টীকৰণ নিদি এইধৰণৰ ঘটনা মুঠেও কতো হোৱা নাই বুলি কয়। কমল কুমাৰ মেধিয়ে স্পষ্টীকৰণত উল্লেখ কৰা মতে, এদিন এজন তেওঁৰ চিনাকি মানুহে তেওঁৰ কাষলৈ মৃগেন শইকীয়াই লৈ আহিছিল। মৃগেন শইকীয়াই কৈছিল যে তেওঁ অখিল গগৈক লগ ধৰি আহিছে। অখিল গগৈয়ে তেওঁক লগ কৰাৰ কথা কৈছে। যেতিয়া এপিএছচিৰ কথা কৈছিল তেতিয়াই এইটো সাংগঠনিক দিশত কৰিব পৰা নাযায়। টকা পইছা লোৱাৰ কথাটো এটা গোকাট মিছা কথা। টকা লোৱাৰ প্ৰশ্নই নাহে। মানুহজনক মই এদিনে লগ পাইছো। এজন বিশেষ চিনাকি ব্যক্তিয়ে লৈ আহিছিল। এদিন মাথো ১০-১৫ মিনিটৰ বাবে লগ পাইছো। কেতিয়া, ক'ত টকা ল'লো এই বিষয়টোক লৈ এটা আইনী দিশলৈ যাব লাগিব। বিষয়টোক লৈ চৰ্চা হৈছে। বদনাম হৈছে। অনাহকতে এটা মিছা অপবাদ। মই আইনী ব্যৱস্থা ল'ম। মোক মানুহজনে বাৰে বাৰে অখিল গগৈৰ ঘৰৰ পৰা অহা বুলি কোৱাৰ কাৰণেহে মই অলপ সময় কথা পাতিছিলো। মই অখিল গগৈকো সুধিছিলো তেওঁ কৈছিল যে হয় এনেকৈ মানুহ এজন আহিছিল। কিন্তু পৰৱৰ্তী সময়ত এপিএছচিৰ কেলেংকাৰীক লৈ বহু আন্দোলন হৈছে। তেতিয়া কৃষক মুক্তিৰ সভাপতি অখিল গগৈ আৰু মই সাধাৰণ সম্পাদক আছিলো। ২০২৪ চনৰ পিছত কেবাবাৰো আন্দোলন কৰিছিলো। অখিল গগৈ আৰু মই জেললৈ গৈছো। আপোনালোকে পুৰণি ভিডিঅ'বোৰ চালে গম পাব। তেতিয়া অখিল গগৈৰ সৈতে মোৰ কোনো গেপ নাছিল। আজি অখিল গগৈয়ে মোৰ পৰা স্পষ্টীকৰণ বিচাৰিছিল। কিন্তু মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি অপমান কৰা হৈছে। মই ইয়াৰ বিৰুদ্ধে আদালতলৈ যাম।

■ **প্ৰথম পৃষ্ঠাৰ পৰা...**

# গৌৰৱৰ বিয়াত ৰাকেশৰ উপহাৰ

লোকসেৱা আয়োগৰ অধ্যক্ষ ৰাকেশ পালে সংঘটিত কৰা চাকৰি কেলেংকাৰীক লৈ গঠিত শৰ্মা আয়োগে দাখিল কৰা প্ৰতিবেদনত তৰুণ গগৈৰ পুত্ৰৰ বিয়াৰ কথা উল্লেখ কৰা হৈছে। গৌৰৱ গগৈৰ বিয়াত বিতৰ্কিত তদানীন্তন এপিএছচিৰ অধ্যক্ষ ৰাকেশ পালে বিয়াত কি উপহাৰ দিছিল সেই প্ৰসংগ দৃষ্টিকটুভাৱে প্ৰতিবেদনত উল্লেখ কৰা হৈছে। যাক লৈ ৰাজ্যৰ ৰাজনীতি গৰম হৈ পৰিছে। শৰ্মা আয়োগৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, ৰাকেশ পালে তৰুণ গগৈক বহু উপহাৰ দিছিল। লগতে গৌৰৱ গগৈৰ বিয়াত সোণৰ চেইন, আঙুঠি আৰু ব্ৰেছলেট উপহাৰ দিয়াৰ কথা প্ৰতিবেদনত উল্লেখ কৰা হৈছে। ৰাজসাক্ষী মৃগেন শইকীয়াই এই তথ্য দিছিল আয়োগক। প্ৰতিবেদন মৰ্মে ৰাকেশ পালক এপিএছচিৰ অধ্যক্ষ পাতিবলৈ চাকৰি কেলেংকাৰীৰ ৰাজসাক্ষী মৃগেন শইকীয়াই ২০১৩ চনত তৰুণ গগৈৰ সৈতে লগ লগাই দিছিল। তাৰ কিছুদিন পাছতে মুখ্যমন্ত্ৰী গগৈয়ে এপিএছচিৰ স্থায়ী অধ্যক্ষ নিযুক্তি দিছিল। গৌৰৱ গগৈৰ বিয়াৰ প্ৰসংগক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অখিল গগৈয়ে। অখিল গগৈয়ে কয় যে গৌৰৱ গগৈৰ বিয়াত উপহাৰ দিয়া বুলি গৌৰৱ গগৈক দোষী কৰিব পাৰি নেকি? এইসকলো কথা টানি অনা হৈছে। সেই কথাটো লিখিব নালাগিছিল। গৌৰৱ গগৈৰ, অখিল গগৈৰ নাম সাঙুৰি দিয়াটো পলিটিক্স। হিমন্ত বিশ্ব শৰ্মাৰ নামটো ভৰোৱা নাই। ভট্টাচাৰ্য আৰু শৰ্মাৰ নাম ভৰোৱা নাই। বিপ্লৱ কুমাৰ শৰ্মাই গৌৰৱ গগৈ আৰু অখিল গগৈৰ নামটো কৰবাত নহয় কৰবাত লগাই থৈ দিছে। বিয়াত দিয়া উপহাৰ কোনে খুলি চাই ভাই বুলিও কয় অখিল গগৈয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুলাল বৰা, তিৱাৰী, সমুজ্জ্বল ভট্টাচাৰ্যৰ

লৈ গঠিত শৰ্মা আয়োগৰ প্ৰতিবেদনত বিতৰ্কত আৰটিআই কৰ্মী দুলাল বৰা, প্ৰাক্তন গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত আনন্দ প্ৰকাশ তিৱাৰী, আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, বিজেপিৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসৰ নাম সাঙোৰ খাইছে। প্ৰতিবেদনত অসম এৰি যোৱা উত্তৰ প্ৰদেশ চৰকাৰৰ নাৰ্কোটিক্স কণ্ট্ৰোল ব্যুৰোৰ উপ-সঞ্চালক প্ৰধান আনন্দ প্ৰকাশ তিৱাৰীয়ে গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত হৈ থকাৰ সময়ত ২ লাখ টকা লোৱা বুলি উল্লেখ কৰা হৈছে। ২০১৪ চনত আইপিএছ আনন্দ প্ৰকাশ তিৱাৰীয়ে গোচৰৰ মিত-মাত কৰিবলৈ ৰাকেশ পালৰ পৰা ২ লাখ টকা লৈছিল। আৰটিআই কৰ্মী দুলাল বৰাই ৰাকেশ পালৰ বিৰুদ্ধে এটা চুৰি গাড়ীৰ গোচৰ ৰুজু কৰিছিল। ৰাকেশ পালৰ চুৰি গাড়ীৰ ঘটনা গোপনে ৰাখিবলৈ আনন্দ প্ৰকাশ তিৱাৰীক ২ লাখ টকা আৰু গোচৰ প্ৰত্যাহাৰ কৰিবলৈ দুলাল বৰাক ২ লাখ টকা দিছিল। লোকসেৱা আয়োগৰ পৰীক্ষাত আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ নাম সাঙোৰ খাইছিল। তেতিয়াই এখন দৈনিক বাতৰি কাকতৰ মুখ্য সম্পাদকে এখন ফটোসহ এটা সম্পাদকীয় লিখিছিল। সেই সম্পাদকীয়টোত এখন ফটো প্ৰকাশ পাইছিল। ফটোখনত ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু ৰাকেশ পালক মন্দিৰত একেলগে দেখা গৈছিল। তেতিয়াই ভট্টাচাৰ্যৰ বিৰুদ্ধে কেইবাগৰাকী লোকক লোকসেৱা আয়োগৰ পৰীক্ষাত বহা প্ৰাৰ্থীক উত্তীৰ্ণ কৰোৱাৰ অভিযোগ উঠিছিল। তেতিয়াৰ আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কেইবাগৰাকী প্ৰাৰ্থীক চাকৰি দিয়া বুলি অভিযোগ উত্থাপন হৈছিল যদিও ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যক অভিযুক্ত কৰা হোৱা নাই। কিন্তু সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যক ২০১৩-১৫ চনত লোকসেৱা আয়োগৰ পৰীক্ষাত ১ নং স্থান প্ৰাপ্ত এপিএছ জন দাসৰ ঘনিষ্ঠ বুলি প্ৰতিবেদনত কোৱা হৈছে। প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসে ৬০ লাখ টকা দি পৰিয়ালৰ তিনিজনকৈ লোকক চাকৰি দিয়া বুলি অভিযোগ অনা হৈছে যদিও অভিযুক্ত কৰা হোৱা নাই। গুৰুজ্যোতি দাসে খুলশালীসহ ৯ আত্মীয়ক যেনে, লীনা দাস, নিৰ্মালী দাস, ভাৰ্গৱমুণি দাস, মনদীপ দাস, ডঃ দেৱাশিষ দাস, নৰেশ্বৰ দাস, কল্পনা দাস, থানুৰাম দাস আৰু দেৱেন্দ্ৰ দাসক বক্ৰপথেৰে চাকৰি দিছিল। আগতীয়াকৈ প্ৰশ্নকাকত দিয়া হৈছিল ভাৰ্গৱমণি দাসক। সহকাৰী পৰীক্ষা নিয়ন্ত্ৰক পৱিত্ৰ কৈৱৰ্তৰ ঘনিষ্ঠ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসৰ নাম প্ৰতিবেদনত আছে যদিও ৰহস্যজনকভাৱে অভিযুক্ত কৰা হোৱা নাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সাহিত্য সভাত হ'ব 'এক ব্যক্তি, এক

নিশ্চিত কৰা হ'ব। এতিয়াৰ পৰা অসম সাহিত্য সভাত এজন ব্যক্তিয়ে কোনো কাৰণতে এটাতকৈ অধিক পদ নাপাব। যোৰহাটৰ ৰাধাকান্ত সন্দিকৈ ভৱনত আয়োজিত এখন সংবাদমেলত আজি সাংবাদিকৰ আগত এই কথা স্পষ্ট কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে। সাংবাদিকক সম্বোধন কৰি ড° গোস্বামীয়ে কয়, "অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতি গঠনত সংবিধানৰ আধাৰতেই সম্পাদক পদৰ বাবে সংশ্লিষ্ট কাৰ্যালয় থকা জিলাখনৰ পৰা সম্পাদক মনোনীত কৰা হৈছে।" ইফালে, অসম সাহিত্য সভাৰ নতুন কাৰ্যনিৰ্বাহক সমিতিত এটা পৰিয়ালৰ কেৱল এজনহে ব্যক্তিক অন্তৰ্ভুক্ত কৰা হ'ব বুলিও উল্লেখ কৰে। উল্লেখ্য, এইবাৰৰ নতুন কাৰ্যনিৰ্বাহক সমিতিত যিসকল ব্যক্তিয়ে পূৰ্বতে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহককে ধৰি অন্যান্য কেন্দ্ৰীয় কাৰ্যসূচী ৰূপায়ণ কৰি সংবিধানৰ আধাৰত (অনুষ্ঠান হৈ যোৱাৰ নিৰ্ধাৰিত ২৫ দিনৰ পাছত) হিচাপ দাখিল কৰা নাই, তেনে ব্যক্তিক এইবাৰ কোনো পদবীৰ বাবে মনোনীত কৰা নহয় বুলিও গোস্বামীয়ে স্পষ্ট কৰি দিয়ে। আনহাতে, যিসকল ব্যক্তিয়ে পূৰ্বতে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকৰ গুৰুত্বপূৰ্ণ পদ গ্ৰহণ কৰি একো কাম নকৰিলে আৰু এখনো কাৰ্যনিৰ্বাহক সভাত উপস্থিত নাথাকিলে, তেনে লোকক এইবাৰৰ কাৰ্যনিৰ্বাহকত অন্তৰ্ভুক্ত কৰা নহয়। যিসকল ব্যক্তিৰ বিত্তীয় সংক্ৰান্তীয় অনিয়ম নতুবা অন্যান্য অভিযোগ বিচাৰধীন হৈ আছে, সেইসকল লোককো অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিত কোনো পদবীৰ বাবে মনোনীত কৰা নহয়। এইবাৰৰ কাৰ্যনিৰ্বাহক সমিতিত ৩৩ শতাংশ মহিলাৰ স্থান নিশ্চিত কৰা হ'ব। কুঁহি উপ-সমিতিৰ মইনা পাৰিজাতৰ লগত জড়িত আৰু আকাশ উপ-সমিতিৰ নাৰী সংগঠনৰ লগত জড়িত মহিলাক প্ৰাধান্য দি মনোনীত কৰা হ'ব। আনহাতে, অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিত সমগোত্ৰীয়, জনগোষ্ঠীয়, জনজাতীয় আৰু ভিন্ন ৰাজনৈতিক দলৰ কোনো সংগঠনৰ মূল নেতৃস্থানীয় ব্যক্তি (যেনে- সভাপতি, উপসভাপতি, সাধাৰণ সম্পাদক, সহকাৰী সম্পাদক) কাৰ্যনিৰ্বাহকৰ মূল সমিতিত অন্তৰ্ভুক্ত কৰা নহয়। অৱশ্যে, সাহিত্য সভাৰ জাতীয় পৰামৰ্শ কোষ, জাতীয় বিদ্যায়তনিক পৰামৰ্শ কোষ, জাতীয় সতীৰ্থ সংগঠন পৰামৰ্শ কোষ আদিত তেওঁলোকৰ প্ৰেৰিত প্ৰতিনিধিক মনোনীত কৰা হ'ব। অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ আটাইকেউখন কাৰ্যনিৰ্বাহক সমিতিৰ অধিৱেশন এদিনীয়াকৈ অনুষ্ঠিত হ'ব। সভাৰ নিৰ্বাচিত মনোনীত সদস্যসকলক একোখনকৈ গ্ৰন্থ উপহাৰ দিয়া হ'ব। ইফালে, আজি অসম সাহিত্য সভাৰ কেউটা কাৰ্যালয়ৰ সম্পাদকসকলক মনোনীত কৰা হয়। সভাৰ যোৰহাটস্থিত কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক হিচাপে জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° জ্যোতিৰেখা হাজৰিকা, গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক পদৰ বাবে দিছপুৰ কলেজৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° সঞ্জীৱ কুমাৰ শৰ্মা, নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক পদৰ বাবে নগাঁৰৰ তেতেলীসৰা আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰেৱতী হাজৰিকা, মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক পদৰ বাবে কলাইগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ বসন্ত শইকীয়া, ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক পদৰ বাবে বিশিষ্ট লেখক-চিকিৎসক ডাঃ শান্তনু লহকৰ, ডিফু আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক পদৰ বাবে ডেৰাগাঁও প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বিশ্বজ্যোতি হাজৰিকা, জালাহ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক পদৰ বাবে সৰ্থেবাৰী কেন্দ্ৰীয় বালক মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষক নয়নমণি চৌধুৰী, ধুবুৰী আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক পদৰ বাবে বীৰ চিলাৰায় কলেজৰ সহকাৰী অধ্যাপক ড° উমেশ দাস, লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক পদৰ বাবে এডিকে. উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ বিষয় শিক্ষক সঞ্জীৱ বৰা, শিলচৰ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক পদৰ বাবে তাৰাপুৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ চামছুল হকক মনোনীত কৰা হৈছে। আনহাতে, ২০২৫-২৭ বৰ্ষৰ সভাৰ ধন ভৰালী হিচাপে যোৰহাটৰ চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ মণিৰাম লাহনক মনোনীত কৰাৰ কথা ঘোষণা কৰে অসম সাহিত্য সভা সমিতিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘টাইপা’ৰ বিৰুদ্ধে ৰাজ্যজুৰি শংকৰ

আজি এক প্ৰেছ বিবৃতিৰ জৰিয়তে কয় যে টাই আহোম যুৱ পৰিষদৰ বেনাৰত চৰাইদেউ জিলাৰ সোণাৰিত কেইগৰাকীমান ব্যক্তিয়ে যোৱা ১৭ ফেব্ৰুৱাৰীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পবিত্ৰ সংবিধানৰ প্ৰতিলিপি দাহৰ যি কাৰ্য সংঘটিত কৰিলে সেই কাৰ্য মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আধ্যাত্মিক, সাংস্কৃতিক, সামাজিক আৰু গণতান্ত্ৰিক মহান আদৰ্শ আৰু অসমৰ জাতীয় সমন্বয়ৰ যুগমীয়া ঐতিহ্যৰ প্ৰতি চূড়ান্ত অপমান বুলি শ্ৰীমন্ত শংকৰদেৱ সংঘই গণ্য কৰিছে। কোনো মত পাৰ্থক্য থাকিল বুলিয়েই গণতান্ত্ৰিক প্ৰতিবাদৰ নামত শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ নাম আৰু বাণী সম্বলিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান দাহ কৰা কাৰ্য কেতিয়াও গণতান্ত্ৰিক অধিকাৰ হ’ব নোৱাৰে। উত্তৰ-পূৰ্বাঞ্চলৰ ২৭ টাৰো অধিক জাতি-জনগোষ্ঠীৰ লোকক গুৰুজনাৰ উদাৰ-আধ্যাত্মিক আদৰ্শৰ আধাৰত সন্মান আৰু মৰ্যাদা প্ৰদানেৰে এখন শ্ৰেণীহীন আৰু বৰ্ণ-বৈষম্যহীন সমাজ নিৰ্মাণৰ যাত্ৰাত ব্ৰতী হৈ শতবৰ্ষ স্পৰ্শ কৰিবলৈ আগবঢ়া এটা বৰেণ্য জাতীয় অনুষ্ঠানৰ সংবিধানখন পুৰি পেলাবলৈ কৰা সাহস অসমৰ জাতীয় জীৱনৰ বাবেই এক অশনি সংকেত। তেওঁ লগতে যুক্তিৰে আৰু সুস্থিৰে পাৰম্পৰিক সন্মান আৰু শ্ৰদ্ধা অটুট ৰাখি যিকোনো সমস্যা সমাধান কৰিব পাৰি বুলি উল্লেখ কৰি কয়, এটা সংগঠনে আন এটা অনুষ্ঠান বা সংগঠনৰ চিন্তাৰ বিৰোধ কৰাৰ অনেক ভদ্ৰোচিত পন্থা আছে। কিন্তু ইয়াৰ সকলো সীমা অতিক্ৰম কৰি লক্ষ লক্ষ ভকত-বৈষ্ণৱৰ এটা সু-সংগঠিত আধ্যাত্মিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান দাহ কৰা কাৰ্য নিশ্চয়কৈ গৰিহণাৰ যোগ্য। এনে পৰম্পৰা শীঘ্ৰে বন্ধ নহ’লে জাতীয় ঐক্য আৰু সংহতি বৰ্তাই ৰখাই কঠিন হ’ব। শ্ৰীমন্ত শংকৰদেৱ সংঘই সকলো জাতি-জনগোষ্ঠীক একত্ৰিত কৰি জাতীয় ঐক্য-সংহতি-সমন্বয় সাধনত নিৰলস প্ৰচেষ্টা চলাই আহিছে। এনে এটা অনুষ্ঠানৰ গৌৰৱ আৰু ঐতিহ্য বহন কৰা সংবিধানখন পুৰি পেলোৱাৰ দুঃসাহস কৰাটো এটা অবিবেচক, অগণতান্ত্ৰিক আৰু আইন বিৰুদ্ধ দুষ্কাৰ্য বুলি আমি গণ্য কৰিছো। সেয়ে সমগ্ৰ ঘটনাৰ উচিত বিচাৰৰ বাবে ইতিমধ্যে আইনৰ কাষ চপা হৈছে বুলি উল্লেখ কৰি প্ৰধান সম্পাদকগৰাকীয়ে জাতীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সন্মান আৰু মৰ্যাদা ৰক্ষাৰ এই পৰিক্ৰমাত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে অসমৰ সকলো ৰাইজে সহায়-সহযোগিতা আগবঢ়াব বুলি আশা ব্যক্ত কৰিছে। ইফালে, এনে দুষ্কাৰ্য সংঘটিত কৰা লোকসকলৰ বিৰুদ্ধে অনতিপলমে আইনগত ব্যৱস্থা গ্ৰহণৰ দাবীৰে বিয়লি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূলৰ লগতে নগাঁও জিলা শাখাৰপৰা নগাঁও সদৰ থানাত আৰু আইলক্ষ্মী আঞ্চলিক শাখাৰপৰা জাজৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। **(অধিক ১১ পৃষ্ঠাত)**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাস্কৰ টেছলা আহিব ভাৰতলৈ

প্ৰৱেশৰ ইংগিত প্ৰদান কৰিলে টেছলাই। ইতিমধ্যে আৰম্ভ কৰা হৈছে নিযুক্তি প্ৰক্ৰিয়াও। কোম্পানীটোৱে মুম্বাই আৰু দিল্লীৰ একাধিক পদৰ বাবে নিযুক্তিৰ অধিসূচনা প্ৰকাশ কৰিছে। টেছলাই প্ৰকাশ কৰা অধিসূচনা অনুসৰি মুম্বাই আৰু দিল্লীত ১৩টা পদত নিযুক্তি দিয়া হ’ব। ইয়াৰ ভিতৰত গ্ৰাহক সেৱা, সেৱা কাৰিকৰী, পৰামৰ্শদাতা ভূমিকা, গ্ৰাহক সংযোগ সঞ্চালক আৰু ডেলিভাৰী অপাৰেচন বিশেষজ্ঞ আদি গুৰুত্বপূৰ্ণ দায়িত্বসমূহ অন্তৰ্ভুক্ত। যদিও কোম্পানীটোৱে এতিয়াও আনুষ্ঠানিক ঘোষণা কৰা নাই, এই নিযুক্তিয়ে ভাৰতত কাম-কাজ আৰম্ভ কৰাৰ বাবে প্ৰস্তুতি চলোৱাৰ ইংগিত প্ৰদান কৰিছে। উল্লেখ্য যে, ইলন মাস্কৰ কোম্পানী টেছলাই কেইবাবছৰ ধৰি ভাৰতত প্ৰৱেশ কৰাৰ পৰিকল্পনা কৰিছিল যদিও উচ্চ আমদানি শুল্কই বাধাৰ সৃষ্টি কৰিছিল। এতিয়ালৈকে ৪০ হাজাৰ ডলাৰৰ ওপৰৰ বিলাসী বৈদ্যুতিক বাহনৰ ওপৰত ১১০ শতাংশ আমদানি শুল্ক আৰোপ কৰা হৈছিল, যিটো কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ ৭০ শতাংশলৈ হ্ৰাস কৰিছে। চৰকাৰী নীতিৰ এই পৰিৱৰ্তনৰ পিছত ভাৰতীয় বজাৰত প্ৰৱেশৰ সম্ভাৱনা উজ্জ্বল হৈ পৰিছে টেছলাৰ। লক্ষ্যণীয়ভাৱে বৰ্তমান ভাৰতত বৈদ্যুতিক বাহনৰ বজাৰ তুলনামূলকভাৱে কম। যোৱা বছৰ চীনত ১ কোটি ১০ লাখ ইলেক্ট্ৰিক গাড়ী বিক্ৰী হোৱাৰ বিপৰীতে ভাৰতত এই সংখ্যা আছিল প্ৰায় এক লাখ খন। কিন্তু চৰকাৰে নবীকৰণযোগ্য শক্তিৰ সম্প্ৰসাৰণ আৰু বৈদ্যুতিক যান-বাহনৰ ব্যৱহাৰক উৎসাহিত কৰাৰ লগে লগে অনাগত দিনত এই বজাৰত বৃহৎ পৰিৱৰ্তনৰ আশা কৰা হৈছে। অৱশ্যে ভাৰতত টেছলাৰ কাম আৰম্ভ কৰাৰ কোনো নিৰ্দিষ্ট সময়সীমা এতিয়াও ঘোষণা কৰা হোৱা নাই। কিন্তু বিশেষজ্ঞসকলৰ মতে, কোম্পানীটোৱে প্ৰথমে আমদানিকৃত গাড়ী বিক্ৰী আৰম্ভ কৰিব পাৰে আৰু পিছত চাহিদা অনুসৰি ঘৰুৱাভাৱে উৎপাদন কৰাৰ সিদ্ধান্ত ল’ব পাৰে। ইফালে এই সিদ্ধান্ত বাণিজ্যিক দিশৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় আলোচনাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। মোদী-মাস্কৰ বৈঠকৰ পাছতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পে কয় যে ভাৰত আৰু আমেৰিকাৰ মাজত বাণিজ্যিক আলোচনা চলি আছে। ইয়াৰ লগতে সামৰিক খণ্ডতো এফ-৩৫ যুঁজাৰু বিমান ক্ৰয়ৰ চুক্তিৰ সম্ভাৱনাও আছে। এই পৰিস্থিতিত টেছলাৰ নিযুক্তি কাৰ্যকলাপৰ বাবে দুয়োখন দেশৰ মাজত সম্পৰ্ক অধিক শক্তিশালী হোৱাৰ ইংগিত পোৱা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছেই মূল খলনায়কঃ বিজেপি

সন্দৰ্ভত গঠিত বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদন প্ৰকাশৰ পিছতে বিৰোধীক লক্ষ্য কৰি লয় ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশ সমিতিৰ সভাপতি দিলীপ শইকীয়াই। বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনত নাম থকা সকলোৰে বিৰুদ্ধে তদন্ত কৰিবলৈ দাবী উত্থাপন কৰিছে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। প্ৰয়োজনত এছআইটি গঠনৰ দাবী উত্থাপন কৰিছে দিলীপ শইকীয়াই। লগতে বিজেপি নেতা কমল কুমাৰ মেধিয়ে কেলেংকাৰীক নায়ক ৰাকেশ পালৰ পৰা ৩ লাখ লোৱা আৰু পৰিয়ালৰ ৯জন লোকক চাকৰি দিয়া বুলি বিজেপিৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসৰ নাম প্ৰতিবেদনত থকাত শইকীয়াই কয় যে বিজেপিৰ কোনো লোক দোষী সাব্যস্ত হ’লে দলৰ পৰা বহিস্কাৰ কৰা হ’ব। দিলীপ শইকীয়াই গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি কয় যে তৰুণ গগৈৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত ভয়ংকৰ দুৰ্নীতি সংঘটিত হৈছিল। ২০১৩ আৰু ২০১৪ৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা বিসংগতিৰ তদন্ত কৰা ন্যায়াধীশ বি কে শৰ্মা আয়োগৰ প্ৰতিবেদন বিধানসভাত দাখিল কৰাত এই কথা স্পষ্ট হৈছে। প্ৰতিবেদনত এপিএছচিৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ পালক 'মাষ্টাৰমাইণ্ড', তৰুণ গগৈক ‘দুৰ্নীতিৰ কিংপিন’ বুলি অভিহিত কৰি প্ৰতিবেদনত উল্লেখ থকা তথা এতিয়ালৈকে গ্ৰেপ্তাৰ ৭০ জনৰো অধিক লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায় শইকীয়াই। শইকীয়াই কয় যে বি কে শৰ্মা আয়োগৰ প্ৰতিবেদনত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ অধীনত কংগ্ৰেছৰ শাসনকালত হোৱা বৃহৎ দুৰ্নীতিৰ কথা প্ৰকাশ পাইছে। এই দুৰ্নীতিৰ ফলত গোটেই প্ৰজন্মই সুযোগ নোপোৱা বুলি আমি দীৰ্ঘদিনে আনি থকা অভিযোগ সঁচা প্ৰমাণিত হৈছে। আয়োগৰ পৰ্যৱেক্ষণ আৰু লিপিবদ্ধ কৰা সাক্ষ্যসমূহে প্ৰমাণ কৰিছে যে কংগ্ৰেছ আৰু দুৰ্নীতি এটা মুদ্ৰাৰ ইপিঠি-সিপিঠিৰ দৰে। তৰুণ গগৈ দুৰ্নীতিৰ কিংপিন আছিল আৰু কংগ্ৰেছে এতিয়া ৰাইজক উত্তৰ দিব লাগিব। কংগ্ৰেছক নিজৰ স্থিতি স্পষ্ট কৰি শ্বেতপত্ৰ প্ৰকাশৰ দাবী জনাই বিজেপিৰ ৰাজ্যিক সভাপতিজনে। লগতে ৰাজ্য চৰকাৰক প্ৰতিবেদনত নাম থকাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লবলৈকো আহ্বান জনায় ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহপান কৰি প্ৰেমিক-প্ৰেমিকাই

কিশোৰী আৰু এজন যুৱকে বিহপান কৰাৰ ঘটনা সংঘটিত হৈছে নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত অঞ্চলত। বিহপান কৰি মৃত্যু ঘটা যুৱক জন হৈছে চামগুৰিৰ শিৰস্থান আৰক্ষী চকীৰ অন্তৰ্গত বৰবালিটুপ গাঁৱৰ সুকুমাৰ বৰ্মনৰ পুত্ৰ মুকেশ বৰ্মন (২০)। আনহাতে, চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটা যোড়শী ছাত্ৰী গৰাকী হৈছে একেখন গাঁৱৰে বিশ্বনাথ বৰ্মনৰ কন্যা সুস্মিতা ওৰফে উমা বৰ্মন। স্থানীয় লোকে জনোৱা মতে, ভেছেলীমাৰী হাইস্কুলৰ নৱম শ্ৰেণীত অধ্যয়নৰত উমাৰ লগত একেখন গাঁৱৰে মুকেশৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে। এসপ্তাহমান পূৰ্বে অপ্ৰাপ্তবয়স্ক দুয়ো প্ৰেমিক যুগলে পলায়ন কৰে। প্ৰাপ্তবয়স্ক নোহোৱাৰ বাবে স্থানীয় ৰাইজৰ লগতে মহিলাই দুয়োটা পৰিয়ালৰ সন্মতি সাপেক্ষে স্থানীয় গাঁওপ্ৰধানৰ উপস্থিতিত এখন চুক্তিপত্ৰ কৰে। দুয়ো ল'ৰা-ছোৱালী প্ৰাপ্তবয়স্ক হোৱাৰ পাছত পৰিয়ালৰ সন্মতি সাপেক্ষে বিয়া কৰাই দিব বুলি এক চুক্তি-পত্ৰ কৰে বুলি স্থানীয় সূত্ৰৰ পৰা জানিব পৰা গৈছে। ৰাজ্য চৰকাৰেও বাল্য বিবাহৰ ক্ষেত্ৰত ইতিমধ্যে সজাগতা সৃষ্টি কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত পঞ্চায়তৰ জৰিয়তে স্থানীয় একাংশ মহিলা এইক্ষেত্ৰত সৰৱ হৈ পৰিছিল। যোৱা ১৬ ফেব্ৰুৱাৰীত দুয়ো প্ৰেমিক-প্ৰেমিকা বৰবালিটুপৰ ঘৰলৈ আহিছিল বুলি স্থানীয় সূত্ৰৰ পৰা জানিব পৰা গৈছে। মহিলাসকলে দুয়োকে বুজনি দি প্ৰাপ্তবয়স্ক হ'লে বিয়া পাতি দিয়াৰ কথা কৈ আঁতৰি যোৱাৰ পাছতেই সন্ধ্যা মুকেশ বৰ্মনে বিহপান কৰে। প্ৰেমিক মুকেশে বিহপান কৰাৰ কথা জানিব পাৰি প্ৰেমিকা সুস্মিতা ওৰফে উমাইও বিহপান কৰে বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। বিহপানৰ ফলত গুৰুতৰভাৱে স্বাস্থ্যৰ অৱনতি ঘটাৰ পাছত কালি পুৱা মুকেশৰ চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটে। আনহাতে, গুৰুতৰভাৱে অসুস্থ হোৱা উমাক তেজপুৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাৰ বাবে ভৰ্তি কৰায়। উমাই মৃত্যুৰ স'তে যুঁজি চিকিৎসাধীন হৈ থকা অৱস্থাত যোৱা নিশা তেওঁৰো মৃত্যু ঘটে বুলি আৰক্ষী সূত্ৰই জনাইছে। আনহাতে, মুকেশৰ মৃত্যুৰ বাবে জগৰীয়া কৰি স্থানীয় ১৯ গৰাকী মহিলাৰ বিৰুদ্ধে পৰিয়ালৰ লোকে শিৰস্থান আৰক্ষী চকীত এক গোচৰ তৰিছে। এইক্ষেত্ৰত আৰক্ষীয়ে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তিনি বছৰ পিছত ৰাজহুৱা

কৰা হ'ল তদন্ত প্ৰতিবেদন। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ তদন্ত সমিতিৰ প্ৰতিবেদন ৰাজহুৱা হোৱাৰ পিছতে ৰাজ্যৰ ৰাজনৈতিক মহলত পুনৰ এবাৰ সৃষ্টি হৈছে খলকনিৰ। এই প্ৰতিবেদনত এপিএছচি কেলেংকাৰীৰ সৈতে নাম সাঙোৰ খাই পৰিছে প্ৰাক্তন প্ৰয়াত মুখ্যমন্ত্ৰীৰ পৰা বৰ্তমানৰ বিধায়কলৈকে বহু জনৰ। উল্লেখ্য যে, ২০১৩ আৰু ২০১৪ চনৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ জৰিয়তে দুৰ্নীতিৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল অসম লোকসেৱা আয়োগ। নিযুক্তিৰ নামত এক বৃহৎ কেলেংকাৰী সংঘটিত হোৱাৰ তথ্য পোহৰলৈ অহাৰ পিছতে ৰাজ্যজুৰি সৃষ্টি হৈছিল তীব্ৰ চাঞ্চল্যৰ। এপিএছচিত ধনৰ বিনিময়ত চাকৰি বিক্ৰী হোৱাৰ বিস্ফোৰক তথ্য পোহৰলৈ আহিছে ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ তদন্ত সমিতিৰ প্ৰতিবেদনত। তদন্ত সমিতিয়ে মন্তব্য কৰে যে এই সাংবিধানিক সংস্থাটোক "ব্যক্তিগত গিল্ড"লৈ ৰূপান্তৰিত কৰা হৈছিল, য'ত নিয়োগৰ মূল ভিত্তি যোগ্যতাৰ পৰিৱৰ্তে হৈ পৰিছিল উৎকোচ আৰু পৰিচিতি। ২০১৬ চনত ‘কেছ ফৰ জবছ’ কেলেংকাৰী পোহৰলৈ অহাৰ পিছত এপিএছচিৰ নিযুক্তি প্ৰক্ৰিয়াত ব্যাপক দুৰ্নীতি পোহৰলৈ আহে। তেতিয়াৰ অধ্যক্ষ ৰাকেশ পালকে ধৰি প্ৰায় ৭০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে, য'ত ৫০ জনতকৈ অধিক অসামৰিক আৰু আৰক্ষী বিষয়াও আছে। তদন্তত প্ৰকাশ পাইছে যে ২০০৮ চনত এপিএছচিৰ সদস্য হিচাপে নিযুক্তি পোৱাৰ পিছত, আৰু পিছলৈ ইয়াৰ অধ্যক্ষ হিচাপে নিযুক্তি পোৱাৰ পিছত ৰাকেশ পালে ইয়াক ব্যক্তিগত লাভজনক সংস্থালৈ ৰূপান্তৰিত কৰে। ২০১৩ আৰু ২০১৪ চনৰ ৰাজ্যিক অসামৰিক সেৱাৰ পৰীক্ষাৰ সময়ত এই দুৰ্নীতি শিখৰত উপনীত হয়। ইফালে, সোমবাৰে বিধানসভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দাখিল কৰে এই কেলেংকাৰীৰ বি কে শৰ্মা তদন্ত সমিতিৰ প্ৰতিবেদন। প্ৰতিবেদনত স্পষ্টকৈ কোৱা হৈছে যে, "এই তদন্তত যি তথ্য ওলাইছে, সেই তথ্যই স্পষ্ট কৰি দিয়ে যে তেতিয়া এপিএছচি এটা ব্যক্তিগত সংস্থা বা চাকৰি বিক্ৰী কৰা গিল্ডত পৰিণত হৈছিল। আয়োগৰ সাংবিধানিক মৰ্যাদা সম্পূৰ্ণৰূপে ধ্বংস হৈছিল।" একে সময়তে ৰাকেশ পালৰ নিযুক্তি সন্দৰ্ভতো কমিটীয়ে প্ৰশ্ন উত্থাপন কৰে। প্ৰথমে তেওঁ কেনেকৈ এপিএছচিৰ সদস্য হৈছিল আৰু পিছলৈ অধ্যক্ষ পদলৈ উন্নীত হৈছিল সেই লৈ সন্দেহৰ সৃষ্টি হৈছে। প্ৰতিবেদনত কোৱা হৈছে যে আয়োগৰ উচ্চতম পদ নিযুক্তিৰ পদ্ধতি ত্ৰুটিপূৰ্ণ আছিল আৰু ইয়াৰ ফলত নিযুক্তিৰ দুৰ্নীতিৰ দুৱাৰ মুকলি হৈছিল। ইফালে বিকে শৰ্মা আয়োগৰ প্ৰতিবেদনত কেইবাজনো শীৰ্ষ নেতাক অভিযুক্ত কৰা হৈছে। প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু ৰাকেশ পালৰ সম্পৰ্কক লৈও উত্থাপন হৈছে অভিযোগ। বিকে শৰ্মা আয়োগৰ ওপৰত এপিএছচি কেলেংকাৰীৰ অন্যতম অভিযুক্ত ডাঃ মৃগেন শইকীয়াই স্বীকাৰ কৰা অনুসৰি, ২০১৩ চনত প্ৰথমবাৰৰ বাবে ৰাকেশ পালে সাক্ষাৎ কৰিছিল মুখ্যমন্ত্ৰী তৰুণ গগৈক। এপিএছচিৰ স্থায়ী অধ্যক্ষ পদত নিযুক্তি পাবলৈ ৰাকেশ পাল শৰণাপন্ন হৈছিল গগৈৰ। যেতিয়াই তেওঁ লগ কৰিছিল, তেতিয়াই তৰুণ গগৈক প্ৰদান কৰিছিল উপহাৰ। আনহাতে এই কেলেংকাৰীত মৃগেন শইকীয়াৰ ভাষ্যৰে সাঙোৰ খাই পৰিছে সাংসদ গৌৰৱ গগৈৰো নাম। অভিযোগ অনুসৰি, গৌৰৱ গগৈৰ বিয়াত ৰাকেশ পালে উপহাৰ হিচাপে দিছিল তিনি লাখ টকাৰ সোণৰ অলংকাৰ। লক্ষ্যণীয়ভাৱে এই সমগ্ৰ কেলেংকাৰীত নাম সাঙোৰ খাইছে প্ৰাক্তন কৃষক নেতা তথা বৰ্তমানৰ বিধায়ক অখিল গগৈ আৰু একালত অখিলৰ সতীৰ্থ আৰু বৰ্তমান বিজেপিৰ নেতা কমল কুমাৰ মেধিৰো নাম। বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত উল্লেখ আছে যে অখিল গগৈক সাক্ষাৎ কৰিব বিচাৰিছিল ৰাকেশ পালে। ৰাকেশ পালে দুলাল বৰাক দিছিল ২ লাখ টকা। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰাক্তন নেতা কমল কুমাৰ মেধিকো ধন দিছিল ৰাকেশ পালে। একেটা গোচৰতে অভিযুক্ত আছিল এ পি তিৱাৰী। গোচৰটো মিতমাত কৰিবলৈ তিৱাৰীক দিয়া হৈছিল ২ লাখ টকা। ৰাকেশ পালে কমল মেধিক দিছিল ৩ লাখ টকা। অখিল গগৈৰ সৈতে ৰাকেশ পালৰ বৈঠক হোৱাৰ কথা আছিল। কিন্তু অখিল গগৈয়ে সাক্ষাৎ নকৰিলে ৰাকেশ পালক। বৈঠকৰ বাবে অখিলে এটা দিন ধাৰ্য কৰিছিল। কিন্তু সেই বৈঠকত অখিল গগৈয়ে সাক্ষাৎ নকৰিলে ৰাকেশ পালক। তাৰ বিপৰীতে কমল মেধিৰে যোগাযোগ কৰাই দিয়ে ৰাকেশ পালক। তেতিয়াই ৰাকেশ পালে কমল মেধিক দিছিল ৩ লাখ টকা। এই অভিযোগৰ পাছতেই অখিল গগৈয়ে কমল কুমাৰ মেধিক স্থিতি স্পষ্ট কৰাৰ আহ্বান জনাইছিল। মঙলবাৰে বিষয়টো সন্দৰ্ভত স্থিতি স্পষ্ট কৰি বৰ্তমানৰ বিজেপি নেতা কমল কুমাৰ মেধিয়ে উত্থাপিত অভিযোগে পোনছাটেই নস্যাৎ কৰে। এই সমগ্ৰ কাণ্ডক জনমানসত তেওঁৰ ভাবমূৰ্তি ম্লান কৰিবলৈ চলা ষড়যন্ত্ৰ বুলি অভিহিত কৰে মেধিয়ে। এক ভিডিঅ' বাৰ্তাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰাক্তন নেতা তথা বৰ্তমান ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে কয়, ‘এপিএছচি কেলেংকাৰী নামত মই টকা লোৱা ধৰণৰ ঘটনা মুঠেও ক'তো হোৱা নাই। শইকীয়া বোলা মানুহজন (ডাঃ মৃগেন শইকীয়া) মোৰ ওচৰলৈ আহিছিল। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন অনুসৰি, এপিএছচিৰ জৰিয়তে চাকৰি পাবলৈ প্ৰতিটো পদৰ বাবে ১৫ৰ পৰা ৩০ লাখ টকাৰ দৰ লগোৱা হৈছিল। প্ৰতিযোগিতামূলক পৰীক্ষাবোৰ কাৰ্যতঃ ৰিগ কৰা হৈছিল। নিৰ্বাচিত প্ৰাৰ্থীৰ তালিকা আগতীয়াকৈ ঠিক কৰি দিয়া হৈছিল। আনকি লিখিত পৰীক্ষাৰ নম্বৰ সলনি কৰি কম নম্বৰ পোৱা সকলকো উত্তীৰ্ণ কৰোৱা হৈছিল। এই খিনিতে এপিএছচিৰ সৈতে পোহৰলৈ আহিছে বিজেপিৰ সংযোগ। অভিযোগ অনুসৰি, মঙলদৈৰ প্ৰাক্তন বিজেপি বিধায়ক গুৰুজ্যোতি দাসে ৯ জনকৈ আত্মীয়ক বক্ৰ পথেৰে এপিএছচি পৰীক্ষাত উত্তীৰ্ণ কোৰোৱাই নিযুক্তি দিয়াইছিল। গুৰুজ্যোতিয়ে তেওঁৰ আত্মীয় লীনা দাস, নিৰ্মল দাস, ভাৰ্গৱমণি দাস, মনদ্বীপ দাস, ডঃ দেৱাশীষ দাস, নৰেশ্বৰ দাস, কল্পনা দাস, থানুৰাম দাস আৰু দেৱেন্দ্ৰ দাসক বক্ৰ পথেৰে নিযুক্তি প্ৰদান কৰোৱাৰ অভিযোগ উত্থাপন হৈছে। কিন্তু লক্ষ্যণীয় কথাটো হ'ল ইয়াৰ পিছতো তদন্তৰ আওতালৈ অহা নাই বিজেপিৰ প্ৰাক্তন বিধায়কগৰাকী।

# যোগীঘোপাৰ আভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেল ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা সোণোৱালৰ

**ই-সংবাদ, সৃজনগ্ৰাম, ১৮ ফেব্ৰুৱাৰীঃ** অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জলপথ খণ্ডত এক নতুন দিগন্তৰ সূচনাৰে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি যোগীঘোপাত আভ্যন্তৰীণ জল পৰিবহণ টাৰ্মিনেলৰ শুভ উদ্বোধন কৰি ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰে। এই উপলক্ষে কেন্দ্ৰীয় কেবিনেট মন্ত্ৰীগৰাকীয়ে যোগীঘোপাৰ পৰা বাংলাদেশলৈ শিলৰ চিপৰ সৈতে জাহাজ এমভি ত্ৰিশূল আৰু ১১০ মেট্ৰিক টন কয়লাযুক্ত বাৰ্জ অজয় আৰু দীক্ষুৰ সৈতে এমভি পদ্ম নেভিগেচন-২ জাহাজৰ ফ্লেগ্-অফ কৰে। ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উক্ত টাৰ্মিনেলৰ আধাৰশিলা স্থাপন কৰিছিল। টাৰ্মিনেলটোৰ কৌশলগত গুৰুত্ব আছে কিয়নো ই ভূটানৰ গেলেফুৰ পৰা ৯১ কিমি দূৰত্বত, বাংলাদেশ সীমান্তৰ পৰা ১০৮ কিমি আৰু গুৱাহাটীৰ পৰা ১৪৭ কিমি দূৰত্বত অৱস্থিত। ই বাংলাদেশ আৰু ভূটানৰ সৈতে আমাৰ দেশৰ দ্বি-পাক্ষিক বাণিজ্যিক সম্পৰ্ক অধিক শক্তিশালী কৰাত অৰিহণা যোগাব। ২০২৭ বৰ্ষলৈ এই টাৰ্মিনেলে বছৰি ১.১ নিযুত টন কাৰ্গ' পৰিচালনা কৰিব বুলি আশা কৰা হৈছে। বাংলাদেশ, নেপাল, ভূটান, ম্যানমাৰ আদিৰ দৰে চুবুৰীয়া দেশসমূহৰ সৈতে কৌশলগত আঞ্চলিক প্ৰকল্প আৰু চুক্তিৰ জৰিয়তে ভাৰতে বৰ্ধিত আঞ্চলিক বাণিজ্য আৰু নিৰৱচ্ছিন্ন পৰিবহণ সংযোগৰ সুবিধাৰ বাবে নিজকে এক গুৰুত্বপূৰ্ণ জলপথ প্ৰৱেশদ্বাৰ হিচাপে প্ৰতিষ্ঠা কৰিছে আৰু এনেদৰেই দক্ষিণ এছিয়াৰ সামগ্ৰিক বিকাশ আৰু একত্ৰিকৰণত অৰিহণা যোগাইছে। লগতে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশত এক নতুন গতি দিছে। ৮২ কোটিতকৈও অধিক ব্যয়েৰে নিৰ্মিত যোগীঘোপা টাৰ্মিনেলত এটা আৰচিচি জেটি আছে যাৰ সামগ্ৰী পৰিচালনাৰ বাবে বৈদ্যুতিক স্তৰৰ লুফিং ক্ৰেইনৰ সৈতে ব্যৱস্থা আছে। টাৰ্মিনেলটোত প্ৰশাসনিক ভৱন, শুল্ক কাৰ্যালয় ভৱন, ইমিগ্ৰেচন কাৰ্যালয়, ট্ৰাক পাৰ্কিং এলেকা, ১১০০ বৰ্গমিটাৰৰ আৱৰা ষ্ট'ৰেজ এলেকা আৰু পাৱাৰ বেক আপৰ সৈতে ১১,০০০ বৰ্গমিটাৰৰ মুকলি ষ্ট'ৰেজৰ দৰে আন্তঃগাঁথনিমূলক সুবিধাও আছে। আজিৰ অনুষ্ঠানটোত ভুটানৰ ৰাজকীয় চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু নিয়োগ মন্ত্ৰী লিয়ংপ' নামগ্যাল দৰ্জী, অসম চৰকাৰৰ মন্ত্ৰীসকল- ৰণজিৎ কুমাৰ দাস, বিমল বড়া, যোগেন মহন, বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰী, ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইন, দক্ষিণ অভয়াপুৰীৰ বিধায়ক প্ৰদীপ সৰকাৰ, ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ অধ্যক্ষ বিজয় কুমাৰৰ লগতে অন্যান্য গণ্য মান্য ব্যক্তিসকল উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ভাষণ প্ৰসংগত কয় যে জলপথৰ সঠিক ব্যৱহাৰে এখন ৰাষ্ট্ৰক শক্তিশালী কৰি তুলিব পাৰে। দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ২০১৪ চনৰ পৰাই কৈ আহিছে যে পৰিবহণৰ আন্তঃগাঁথনি বৃদ্ধি অবিহনে দেশৰ ৰূপান্তৰ অসম্ভৱ। এই যাতায়াত ব্যৱস্থাক উন্নত কৰাৰ বাবে যোগীঘোপাত মাল্টিম'ডেল লজিষ্টিক পাৰ্ক স্থাপনৰ দৰে অভিলাষী পদক্ষেপ গ্ৰহণ কৰা হৈছে। লজিষ্টিক খৰচ কমাবৰ নিমিত্তে আটাইতকৈ ব্যয়সাপেক্ষ মাধ্যমটোৱেই হৈছে জলপথ। উদাহৰণস্বৰূপে- যি ১ টন সামগ্ৰী ট্ৰাকৰ জৰিয়তে স্থানান্তৰ কৰিবলৈ ২০০ টকা লাগে, ৰে'লপথৰ জৰিয়তে ১.৫০ টকা লাগে, জলপথৰ জৰিয়তে স্থানান্তৰিত কৰিবলৈ মাত্ৰ ৬০ পইচাৰ প্ৰয়োজন। ২০২১ চনত মোদী চৰকাৰে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় লজিষ্টিক নীতিৰ লক্ষ্যই আছিল এই খৰচ ১৪%-ৰ পৰা ৮%-লৈ হ্ৰাস কৰা। ইয়াৰ জৰিয়তে দেশৰ অৰ্থনীতিত ধনাত্মক প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। ২০১৪ চনৰ আগলৈকে অৰ্থনৈতিক ক্ষেত্ৰত যিখন দেশে পৃথিৱীৰ একাদশ স্থানত আছিল, আজি মাত্ৰ ১০ বছৰৰ ভিতৰতে পঞ্চম স্থান লাভ কৰিবলৈ সক্ষম হ'ল। মোদী ডাঙৰীয়াই চলিত কাৰ্যকালৰ ভিতৰত ভাৰতক বিশ্বৰ অৰ্থনীতিৰ ক্ষেত্ৰখনত তৃতীয় স্থানলৈ উন্নীত কৰাৰ লক্ষ্য আগত ৰাখিছে। আমাৰ এই যাত্ৰাত সৰ্বস্তৰৰ ৰাইজ সহযোগী হ'ব লাগিব। কাৰণ এতিয়া আৰু পূৰ্বৰ দৰে ৰাজতন্ত্ৰ চলি থকা নাই। এয়া গণতন্ত্ৰৰ অমৃত কাল। নদী হৈছে সভ্যতাৰ জননী। পৃথিৱীৰ বহু ৰাষ্ট্ৰ নদী তথা সমুদ্ৰক কেন্দ্ৰ কৰিয়ে গঢ়ি উঠিছে। আমিও ব্ৰহ্মপুত্ৰ নদক লৈ গৰ্ববোধ কৰোঁ। ব্ৰহ্মপুত্ৰ আমাৰ বাবে আপদ নহয়, সম্পদহে। অতদিনে ব্ৰহ্মপুত্ৰৰ সম্ভাৱনীয়তাক অৱজ্ঞা কৰি অহা হৈছিল বাবে ইয়াৰ উচিত ব্যৱহাৰ কৰা হোৱা নাছিল। যোগীঘোপাৰ মাল্টিম'ডেল লজিষ্টিক পাৰ্কৰ ফলত আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ ভুটান আৰু বাংলাদেশৰ লগত আমাৰ সম্বন্ধ সুদৃঢ় হ'ব। ব্ৰহ্মপুত্ৰৰ সহায়ত আজি আমি ভাৰত-বাংলাদেশ প্ৰট'কল জলপথেৰে ভাৰতৰ বিভিন্ন উপকূলীয় বন্দৰ তথা আন্দামান নিকোবৰ দ্বীপপুঞ্জলৈও যাব পাৰোঁ। ইয়াৰ বাবে 'ৰাষ্ট্ৰীয় ভেচেল নীতি' প্ৰস্তুত কৰা হৈছে, যাৰ ফলত অনুজ্ঞাপত্ৰৰ বাবে পূৰ্বৰ দৰে প্ৰতিখন ৰাজ্যতে বাধাৰ সন্মুখীন হ'ব নালাগে। এতিয়া এখন ৰাষ্ট্ৰীয় অনুজ্ঞাপত্ৰৰে দেশৰ সকলোবোৰ জলপথত বাধাহীনভাৱে চলাচল কৰিব পৰা যাব। মালবাহী জাহাজেই নহয় যাত্ৰীবাহী জাহাজৰো চলাচল ইয়াৰ জৰিয়তে সুগম কৰা হৈছে। বিশ্বৰ আটাইতকৈ দীঘলীয়া নদী ক্ৰুজ- গংগা আৰু ব্ৰহ্মপুত্ৰ সংযোগী এমভি গংগা বিলাস ইয়াৰ এক সফল উদাহৰণ। উত্তৰ-পূৰ্বাঞ্চলত ৰাষ্ট্ৰীয় জলপথ-২ অৰ্থাৎ ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি ব্যাপক বিকাশ অব্যাহত আছে। পাণ্ডুত জাহাজ মেৰামতি সুবিধা, বগীবিল টাৰ্মিনেলৰ উন্নয়ন, পাণ্ডুৰ সৈতে যাতায়াত সংযোগ আদি বিভিন্ন প্ৰকল্প বৰ্তমান উন্নয়নৰ বিভিন্ন পৰ্যায়ত আছে। উত্তৰ-পূবৰ জলপথৰ বিকাশৰ বাবে বৃহৎ বিনিয়োগৰ পৰিকল্পনা কৰা হৈছে, যিয়ে অৰ্থনৈতিক বিকাশ আৰু সমৃদ্ধিত অৰিহণা যোগাব। যোগীঘোপাৰ নতুন আইডব্লিউটি টাৰ্মিনেলৰ কাৰ্যকৰীকৰণ এই দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। সৰ্বানন্দ সোণোৱালে আৰু কয় যে আভ্যন্তৰীণ জলপথ পৰিবহণ খণ্ডত যোৱা এটা দশকত বাণিজ্য আৰু পৰিবহণৰ ক্ষেত্ৰত অভূতপূৰ্ব বৃদ্ধি পৰিলক্ষিত হৈছে। কাৰ্যকৰী ৰাষ্ট্ৰীয় জলপথৰ সংখ্যা ৭৬৭% বৃদ্ধি হৈছে, ৰাষ্ট্ৰীয় জলপথত পৰিচালনা কৰা কাৰ্গ'ৰ পৰিমাণ ৭২৭% বৃদ্ধি হৈছে, আভ্যন্তৰীণ জলপথৰ বাবে বাজেট আবণ্টন ৮৬০% বৃদ্ধিৰ সৈতে মাল্টিম'ডেল টাৰ্মিনেলত ৬২% অভূতপূৰ্ব বৃদ্ধি হৈছে। নদী ক্ৰুজ জাহাজৰ সংখ্যা ২০১৩-১৪ বৰ্ষত ৩ৰ পৰা ২০২৩-২৪ বৰ্ষত ২৫লৈ বৃদ্ধি পাইছে। নদীৰে যাত্ৰা কৰা যাত্ৰীসকলৰ সুবিধাৰ্থে গুৱাহাটীত এটা বিশ্বমানৰ নদী ক্ৰুজ টাৰ্মিনেল বিকশিত কৰা হৈছে। ইয়াৰ উপৰি, শিলঘাট, বিশ্বনাথ ঘাট, নিমাতী আৰু গুঁইজান ঘাটত ৪টা নদী ক্ৰুজ টাৰ্মিনেলৰ বিকাশ কৰি থকা হৈছে।

# বিধায়ক অখিল গগৈৰ মুখত মন্ত্ৰী ৰঞ্জিত দাসৰ প্ৰশংসা

**ই-সংবাদ, ভৱানীপুৰ, ১৮ ফেব্ৰুৱাৰীঃ** 'মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সাংসদ গৌৰৱ গগৈৰ পত্নীৰ পিছত লাগি থকাটো বাদ দিয়ক। লোকৰ পত্নীৰ পিছত এনেদৰে লাগি থকাটো এগৰাকী মুখ্যমন্ত্ৰীৰ বাবে শোভা নাপায়। মুখ্যমন্ত্ৰীগৰাকীয়ে কিছুমান অদৰকাৰী কথাত লাগি আছে। ব্যক্তিগত কথাত লাগি মুখ্যমন্ত্ৰীয়ে মিছাকৈয়ে পৰিৱেশ নষ্ট কৰি আছে। এইবোৰ বাদ দি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ কাম কৰি যাওক। আমি ৰাজনীতি কৰি আছোঁ। বেলেগৰ ব্যক্তিগত কথাত আমি লাগিব নালাগে।'- কালি কোকৰাঝাৰত অনুষ্ঠিত বাজেট অধিৱেশনত অংশগ্ৰহণ কৰি উভতি আহি বজালী জিলা আয়ুক্তৰ কাৰ্যালয়ত নিশাৰ আহাৰ গ্ৰহণ কৰাৰ পিছতে সাংবাদিকৰে মত-বিনিময় কালত এইদৰে মন্তব্য কৰে শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে। বিধায়কগৰাকীয়ে আনকি সাংবাদিকসকলকো লোকৰ পত্নীৰ পিনে চাই থকা মুখ্যমন্ত্ৰীগৰাকীক এইবোৰ কথা বাদ দিয়াৰ বাবে বুজনি দিবলৈ আহ্বান জনায়। শিৱসাগৰৰ বিৰোধী বিধায়কগৰাকীয়ে কয় যে মইতো সদায় সমালোচনাই কৰোঁ। আজি কিন্তু মই বজালী আয়ুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী বিশেষকৈ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু বজালীবাসীৰ অতিথিপৰায়ণতাৰ উচ্চ প্ৰশংসা কৰিছোঁ। একে সময়তে অখিল গগৈয়ে এই অধিৱেশনৰ বাবে সকলোকে ধন্যবাদো জ্ঞাপন কৰে।

# চচলত বিশেষ টেট উত্তীৰ্ণৰ আমৰণ অনশন আৰম্ভ

**ই-সংবাদ, গুৱাহাটী, ১৮ ফেব্ৰুৱাৰীঃ** গুৱাহাটীৰ বাহিৰত বিধানসভাৰ বাজেট অধিবেশনৰ এটা দিন পাৰ হৈ গৈছে যদিও চচলত প্ৰতিবাদ আৰম্ভ কৰিছে বিভিন্ন দল-সংগঠনে। চাৰি বছৰ ধৰি অসমৰ হিমন্ত বিশ্ব শৰ্মা চৰকাৰ প্ৰৱঞ্চনা কৰি অহাৰ অভিযোগত গুৱাহাটী মহানগৰীৰ চচলত প্ৰতিবাদত বহিছে কেইবা উচ্চ শিক্ষিত যুৱক। বিশেষ টেট-২০২১ উত্তীৰ্ণ সন্থাৰ উদ্যোগত কেইবা শ টেট উত্তীৰ্ণ শিক্ষাৰ্থীয়ে গুৱাহাটীত প্ৰতিবাদ আৰম্ভ কৰিছে। টেটত উত্তীৰ্ণ হৈও বছৰ বছৰ ধৰি চাকৰি নাপায় হতাশ শিক্ষাৰ্থীয়ে অৱশেষত আজিৰে পৰা অনিৰ্দিষ্ট কাললৈ আমৰণ অনশন আৰম্ভ কৰিছে। ২০২১ চনত বিশেষ টেটত উত্তীৰ্ণ শিক্ষাৰ্থীসকলক চাকৰি প্ৰতিশ্ৰুতি দিও চাকৰিত মকৰল নকৰাত ক্ষোভিত হৈ আজিৰে আমৰণ অনশনত নামিছে। বিশেষ টেট-২০২১ত উত্তীৰ্ণ প্ৰাৰ্থীসকলে কয় যে আমি ক্ষুব্ধ, অতিষ্ঠ। যোৱা ৪ বছৰে অসম চৰকাৰৰ শিক্ষা বিভাগে প্ৰতাৰণা কৰিছে। গুৱাহাটীৰ চচলৰ নিৰ্ধাৰিত অনশনস্থলীত পশু মিত্ৰ, অনিয়মীয়া শিক্ষক, নন-টিটচিং ষ্টাফসকলেও প্ৰতিবাদ আৰম্ভ কৰিছে। আজি অনশনথলীত উপস্থিত হৈ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে বিজেপিয়ে ভিজন ডকুমেণ্টত পশু মিত্ৰ, অনিয়মীয়া শিক্ষক, নন-টিটচিং ষ্টাফসকলৰ চাকৰি নিয়মীয়া কৰাৰ প্ৰতিশ্ৰুতি দিছিল। ভিজন ডকুমেণ্ট আছিল ১০- বছৰৰ বাবে। কিন্তু ৯ বছৰ পাৰ হৈ গ'ল যদিও আজিলৈ প্ৰতিশ্ৰুতি পালন নকৰিলে। বিশেষ টেট উত্তীৰ্ণ সকলোকো চাকৰি নিদিলে। চৰকাৰে প্ৰতিবাদকাৰীৰ দাবী শুনা উচিত বুলি কৈ শইকীয়াই কয় যে দাবী সমূহক চৰকাৰে গুৰুত্বসহকাৰে ল'ব লাগে। বিধানসভাৰ এই বাজেট অধিৱেশনতে সংকল্প প্ৰস্তাৱ আৰু ব্যক্তিগত সদস্য বিধেয়ক অনাৰ আশ্বাস দিয়ে শইকীয়াই।



গুৱাহাটীৰ ৰূপনগৰত মুক্তিযুঁজাৰু সন্মিলনৰ সম্পাদক মণ্ডলীৰ সভাৰ এটি দৃশ্য

## ছাগলীয়াৰ ভাইবজাৰত ৰাইজে জব্দ কৰিলে চোৰাং কাঠভৰ্তি বাহন

# আৰক্ষী, বন বিভাগৰ সহযোগত পশ্চিমবংগ লৈ কাঠৰ চোৰাং চালান

**ই-সংবাদ, গোলকগঞ্জ, ১৮ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ ছাগলীয়া আৰক্ষী চকীৰ অন্তৰ্গত ভাইবজাৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা ন বজাত স্থানীয় ৰাইজে পশ্চিমবংগ অভিমুখী এখন চোৰাং কাঠ কঢ়িওৱা বাহন জব্দ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, আৰক্ষী আৰু বন বিভাগৰ জ্ঞাতসাৰে চলিছে বন ধ্বংস অভিযান। দুষ্ট চক্ৰই বাসবাৰী, পৰ্বতঝোৰা বনাঞ্চলৰ মূল্যবান গছ বন কাটি তহিলং কৰি আছে। নিশাৰ ভাগত কাঠৰ কুণ্ডাবোৰ বলেৰ' পিকআপ ভেন আৰু অনুজ্ঞাপত্ৰহীন তিনিচকীয়া ইঞ্জিন চালিত বাহন (ঠেটঠেৰী) ভৰ্তি কৰি ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে নিৰ্বিঘ্নে পশ্চিমবংগ লৈ চালান কৰি আহিছে। এই ক্ষেত্ৰত নীৰৱ ভূমিকা গ্ৰহণ কৰিছে গৌৰীপুৰ, ধুবুৰী আৰু ছাগলীয়া বন বিভাগ। দেখিও নেদেখা কুলিৰ ভাও ধৰিছে আৰক্ষী। জানিব পৰা মতে, অবৈধ কাঠ কঢ়িওৱা বাহনসমূহ বালাজান আৰক্ষী চকী গোলকগঞ্জ আৰু আগমনি থানা হালাকুৰা আৰু ছাগলীয়া আৰক্ষী চকীৰ সন্মুখেৰে নিতৌ চালান হৈ আছে। লক্ষণীয়ভাৱে নতুনকৈ আৰক্ষী বিষয়া কৰ্মস্থলীত যোগদান কৰিয়ে দুই এখন বাহন জব্দ কৰে যদিও পিছত গৈ পুনৰ একেই অৱস্থা হৈ পৰে। আনহাতে, ছাগলীয়া বন গাণনিক বিষয়াৰ কাৰ্যালয়ৰ বিৰুদ্ধে চোৰাং কাঠ কঢ়িওৱা বাহন জব্দ কৰাৰ পৰিৱৰ্তে এইবোৰৰ ৰক্ষণাবেক্ষণ দিয়াৰ অভিযোগ উত্থাপিত হৈছে। কালি নিশা ভাইবজাৰত একাংশ লোকে AS-17 C-7173 নম্বৰৰ কাঠভৰ্তি টাটা পিকআপ বাহনখন জব্দ কৰে। ত্ৰিপালেৰে ঢাকি চোৰাং কাঠ পশ্চিমবংগ অভিমুখে গৈ আছিল বাহনখন। বাহনখন ৰাইজে জব্দ কৰাত চালক, চোৰাং বেপাৰী পলায়ন কৰে। ইয়াৰ পূৰ্বেও চোৰাং কাঠসহ এইখন বাহন ৰাইজৰ তৎপৰতাত আগমনিত জব্দ হৈছিল। আৰক্ষী, বন বিভাগক মেনেজ কৰি কাঠ মাফিয়া মোন্নাফ সমসেৰে কাঠৰ চোৰাং চালান অব্যাহত ৰখাৰ অভিযোগ উত্থাপিত হৈছে। পিছত ৰাইজে জব্দ কৰা বাহনখন ছাগলীয়া বন বিভাগক গতাই দিয়ে।

# গোলকগঞ্জত পাঁচটা চোৰাং গৰু জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ১৮ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ অসম পশ্চিমবংগ সীমান্তত অসম আৰক্ষীৰ বাবে গো-ধনৰ চোৰাং বেহা প্ৰত্যাহ্বান হৈ পৰিছে। আৰক্ষীৰ সমানে তৎপৰ হৈ পৰিছে গো-ধন সৰবৰাহকাৰী। আজি পুৱা ছয় বজাত গোলকগঞ্জ আৰক্ষীয়ে উত্তৰ ৰায়পুৰ প্ৰথম খণ্ডৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত বলেৰো পিকআপ ভেনৰ পৰা উদ্ধাৰ কৰে পাঁচটা চোৰাং গৰু। জানিব পৰা মতে, গোপন খবৰৰ ভিত্তিত গোলকগঞ্জ আৰক্ষী উক্ত স্থানত থকা উৰণ সেতুৰ সমীপত খাপ পিটি আছিল। পশ্চিমবংগৰ পৰা গৌৰীপুৰ অভিমুখী তীব্ৰ বেগী AS-01 EC-0514 নম্বৰৰ বলেৰ' পিকআপ ভেনখন আৰক্ষীৰ দলে তৎপৰতাৰে আটক কৰে যদিও চালকৰূপী মূল সৰবৰাহকাৰীজন পলায়ন কৰে। অৱশ্যে এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন পশ্চিমবংগৰ বক্সিৰহাট থানাৰ ভানুকুমাৰীৰ কিচান আলী (৫৫)। বাহনখনৰ পৰা আৰক্ষীয়ে পাঁচটা চোৰাং গৰু উদ্ধাৰ কৰে। আটকাধীন কিচান আলীৰ স্বীকাৰোক্তি মতে পলায়ন কৰা সৰবৰাহকাৰীজন বক্সিৰহাট থানাৰ লাউকুঠীৰ মমিনুৰ আলী। উল্লেখ্য যে মমিনুৰ আলী যোৱা এক ডিচেম্বৰত চোৰাং গৰু কঢ়িওৱা বাহন বালাজান বজাৰত দুৰ্ঘটনা সংঘটিত কৰি আৰক্ষীৰ হাতত আটক হৈছিল। আৰক্ষীয়ে তেওঁক বিচাৰি অভিযান চলাই আছে।

# জীৱন জ্যোতি বৰুৱাক ধুবুৰী আছুৰ জিলা সম্পাদকৰ দায়িত্ব

**ই-সংবাদ, গোলকগঞ্জ, ১৮ ফেব্ৰুৱাৰীঃ** সদৌ ধুবুৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে আজি জীৱন জ্যোতি বৰুৱাক দায়িত্ব প্ৰদান কৰা হয়। ধুবুৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি বাবু জিতু ৰায় এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিয়া মতে মতে, ধুবুৰী সাহিত্য সভা ভৱনত এখন জৰুৰী জিলা কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা সাধাৰণ সম্পাদকৰ দায়িত্বত থকা ৰূপক ৰায় বেপাৰীয়ে দ্বৈত পদৰ জিলা সাধাৰণ সম্পাদক পদৰ পৰা স্বইচ্ছাই পদত্যাগ কৰে। তেওঁ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য হিচাপে কাৰ্যভাৰ চলাই নিয়াৰ সিদ্ধান্ত লয়। কাৰ্যনিৰ্বাহক সভাই বেপাৰীৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰি জীৱন জ্যোতি বৰুৱাক সাধাৰণ সম্পাদকৰ দায়িত্ব প্ৰদান কৰে।

# কামপুৰৰ কাকতিগাঁৱত আমছুৰ ক'লা দিৱস

**ই-সংবাদ, কামপুৰ, ১৮ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ কামপুৰ কাকতিগাঁৱত সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ 'আমছু'ৱে আজি ক'লা দিৱস পালন কৰে। নগাঁও জিলা 'আমছু'ৰ উদ্যোগত কাকতিগাঁও আঞ্চলিক আমছুৰ সহযোগত কাকতিগাঁও আহমদীয়া হাফিজীয়া ইছলামীয়া মাদ্ৰাছা প্ৰাংগণত ক'লা বেজ পৰিধান কৰি সংগঠনটোৱে ১৯৮৩ চনৰ আজিৰ দিনটোত নেলীত হোৱা গণহত্যাৰ প্ৰতিবাদ জনায়। সংগঠনটোৱে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে এক সমূহীয়া প্ৰাৰ্থনা অনুষ্ঠানৰ আয়োজন কৰে। উল্লেখ্য যে নেলীৰ গণহত্যাৰ ৪২ বছৰৰ পাছতো আজিলৈকে ভুক্তভোগীয়ে ন্যায় নোপোৱাত আমছুৱে প্ৰতি বছৰৰ ১৮ ফেব্ৰুৱাৰী তাৰিখে বিভিন্ন স্থানত ক'লা বেজ পৰিধান কৰি ক'লা দিৱস পালনেৰে প্ৰতিবাদ কৰে।

# গেলেকী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰশংসনীয় পদক্ষেপ

**ই-সংবাদ, গেলেকী, ১৮ ফেব্ৰুৱাৰীঃ** নাজিৰা সমজিলাৰ অন্তৰ্গত দোলাকাষৰীয়া গাঁও পঞ্চায়তৰ ৩ নং ৱাৰ্ডৰ বাম গাঁৱৰ এজন দৃষ্টিহীন লোক। লোকজনৰ নাম অজিত কোঁৱৰ। বয়স প্ৰায় ৫৫ বছৰ। এই দৃষ্টিহীন লোকজনৰ পৰিয়ালত নাই আন কোনো সদস্য। চুবুৰীয়াৰপৰা খুজি-মাগি খাই দিন অতিবাহিত কৰিছে লোকজনে। দুৰ্ভগীয়া লোকজনে এবছৰতকৈও অধিক সময় কটাইছে মাটিতে শুই। খবৰ লবলৈও যেন কাৰোৰেই আহৰি নাই। ব্যস্ততাপূৰ্ণ সমাজ ব্যৱস্থা। সকলো ব্যস্ত নিজৰ নিজৰ কৰ্মক লৈ। তাৰ মাজতেই এটা অৰ্ধনিৰ্মিত চৰকাৰী আৱাস গৃহত ফুটা টিনৰ তলত মাটিতে শুই অস্বাস্থ্যকৰ পৰিৱেশৰ মাজত দিন কটাইছে লোকজনে। খুজি-মাগি খাই কথমপি জীয়াই আছে দৃষ্টিহীন লোকজন। জানিব পৰা মতে, চৰকাৰী বিভিন্ন আঁচনিৰপৰাও বঞ্চিত লোকজন। এই লোকজনৰ কাষত থিয় দিছেহি গেলেকী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আৰু মৰাণবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক। গেলেকী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি হেমন্ত গগৈ আৰু মৰাণবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নয়নজ্যোতি বৰঠাকুৰ তথা নামদাং সমল কেন্দ্ৰৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত লোকজনক এখন বিছনা, গৰম বস্ত্ৰ আৰু এখন চকী প্ৰদান কৰে।

## বিশেষভাৱে সক্ষম স্বামী-স্ত্ৰীক প্ৰহাৰৰ অভিযোগ

# শুৱালকুছিত নিশা বিজেপি পালিনেতাৰ গুণ্ডাগিৰি

**ই-সংবাদ, শুৱালকুছি, ১৮ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত কাঞ্চননগৰ অঞ্চলত কালি নিশা এগৰাকী বিজেপি পালি নেতাই মদ্যপান কৰি এগৰাকী শাৰীৰিকভাৱে অক্ষম স্বামী-স্ত্ৰীক প্ৰহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। নি:সহায় আদবয়সীয়া দম্পতীটোক আক্ৰমণ কৰা ঘটনাই বস্ত্ৰ নগৰী শুৱালকুছি অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ভুক্তভোগী দম্পতীৰ অভিযোগ, শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত কাঞ্চন নগৰ অঞ্চলৰ অৰূপ বিশাল নামেৰে জনাজাত এগৰাকী বিজেপি পালিনেতাই বিনাকাৰণতে একে অঞ্চলৰে আদবয়সীয়া দম্পতী মোহৰাম দাস আৰু ৰেনু দাসক আক্ৰমণ কৰে। ক্ষমতাৰ বলত বলিয়ান হৈ সোমবাৰে নিশা প্ৰায় ৮.৩০ বজাত নিজকে বিজেপিৰ নেতাগিৰী দেখুৱাই ফুৰা অৰূপ বিশাল নামৰ দুৰ্বৃত্তজনে বিনাকাৰণতে আক্ৰমণৰ লক্ষ্য কৰি লয় নিঃসহায় দম্পতীটোক। প্ৰথমে মহোৰাম দাসৰ ঘৰৰ সমুখত থকা পাণ-তামোলৰ দোকানখন লণ্ড-ভণ্ড কৰি তাৰপিছত দম্পতীটোৰ ঘৰত প্ৰৱেশ কৰি মাৰধৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে মহোৰাম দাস আৰু পত্নী ৰেণু দাসে। ঘটনা সন্দৰ্ভত শুৱালকুছি আৰক্ষী থানাত স্বামী-স্ত্ৰী হালে নিশাই অৰূপ বিশাল নামৰ যুৱকজনৰ বিৰুদ্ধে এজাহৰ দাখিল কৰে। আনহাতে আৰক্ষীক খবৰ দিলেই ঘৰ জ্বলাই দিয়াৰো ভাবুকি প্ৰদানৰ অভিযোগ বিজেপিৰ পালিনেতা অৰূপ বিশালৰ বিৰুদ্ধে। ইপিনে নিশাই বিজেপি পালিনেতা অৰূপ বিশালৰ আক্ৰমণত গুৰুতৰভাৱে আহত হোৱা আদবয়সীয়া দম্পতীটোক আৰক্ষীয়ে শুৱালকুছি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত স্বাস্থ্য পৰীক্ষা কৰোৱায়। ইপিনে, মুখ্যমন্ত্ৰীৰ সমষ্টিতে সাধৰণ নাগৰিকক ক্ষমতাৰ ৰাগিত বলীয়ান হৈ আক্ৰমণ কৰা ঘটনাক সচেতন মহলে গৰিহণা জনাইছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES

# শিৱৰাত্ৰিৰ দিনা ৰাজ্যত চৰকাৰী বন্ধ ঘোষণাৰ দাবী

**ই-সংবাদ, মৰিগাঁও, ১৮ ফেব্ৰুৱাৰীঃ** মহা শিৱৰাত্ৰিৰ দিনা চৰকাৰী বন্ধ ঘোষণা কৰাৰ দাবী জনাইছে নাথ সাহিত্য-সংস্কৃতি সন্মিলনে। এই সন্দৰ্ভত আজি নাথ সাহিত্য-সংস্কৃতি সন্মিলনৰ এক সঁজাতি দলে মৰিগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাক সাক্ষাৎ কৰি আয়ুক্তগৰাকীৰ জৰিয়তে এখন স্মাৰক-পত্ৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰে। নাথ সাহিত্য-সংস্কৃতি সন্মিলনৰ সভাপতি লক্ষ্যজ্যোতি নাথ আৰু প্ৰধান সম্পাদক জিতুমনি নাথে স্বাক্ষৰ কৰা পত্ৰত উল্লেখ কৰে যে বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি অসমৰ এটা অতি প্ৰাচীন খিলঞ্জীয়া সম্প্ৰদায় হৈছে নাথ-যোগী সম্প্ৰদায়। এই সম্প্ৰদায়টো মূলতঃ শৈৱপন্থী। নাথ-যোগীসকলে অতীতত পালন কৰা ধৰ্মটোৰ নাম আছিল শৈৱ ধৰ্ম বা ব্ৰাত্য ধৰ্ম। নাথ পৰম্পৰাৰ মতে ভগৱান শিৱেই হৈছে প্ৰথমগৰাকী নাথ। শৈৱ অনুগামী হোৱা বাবে নাথ-যোগীসকলে ফাগুন মাহৰ কৃষ্ণ চতুৰ্দশী তিথিত মহাশিৱৰাত্ৰী ব্ৰত পালন কৰাৰ লগতে এই উৎসৱটি নিজস্ব ৰীতি-নীতিৰে উদযাপন কৰে। যোগ সিদ্ধিৰ বাবে এই তিথিত দিবা-নিশি উপবাসে আৰু উজাগৰে থাকি ব্ৰত পালন কৰাটো নাথ-যোগীসকলে অতি মহত্বপূৰ্ণ বুলি বিশ্বাস কৰে। গতিকে নাথ-যোগীসকলৰ আস্থা আৰু পৰম্পৰাৰ প্ৰতি সন্মান জনাই মহাশিৱৰাত্ৰিৰ দিনা চৰকাৰী বন্ধৰ দিন হিচাপে ঘোষণা কৰিবলৈ অনুৰোধ জনায়। উল্লেখ্য যে স্মাৰক-পত্ৰ প্ৰদানৰ কাৰ্যসূচীত নাথ সাহিত্য-সংস্কৃতি সন্মিলনৰ উপদেষ্টা জয়ন্ত কুমাৰ নাথ, মৰিগাঁও সদৰ আঞ্চলিকৰ সভাপতি পিংকুমণি নাথ, যুটীয়া সম্পাদক পোনাৰাম নাথকে আদি কৰি কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে।

# পাৰ হ'ল নেলীৰ গণহত্যাৰ ৪২ বছৰ, কোকৰাঝাৰত এবিএমছুৰ মমবাতি প্ৰজ্বলন

**ই-সংবাদ, কোকৰাঝাৰ, ১৮ ফেব্ৰুৱাৰীঃ** নেলী হত্যাকাণ্ডৰ ক'লা দিনটোক সুঁৱৰি আজি সন্ধিয়া কোকৰাঝাৰত এবিএমছুৱে মমবাতি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে। কোকৰাঝাৰ চহৰৰ সমীপত থকা বাগিছা গাওঁৰ ৰাজপথত এবিএমছু'ৰ কোকৰাঝাৰ জিলা সমিতিৰ উদ্যোগত আৰু আঞ্চলিক সমিতিৰ সহযোগত ৰূপায়ণ কৰা হয় এই মমবাতি প্ৰজ্বলন কাৰ্যসূচী। কাৰ্যসূচীত এবিএমছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জাইদুল ইছলামে অংশগ্ৰহণ কৰি কয় যে নেলী হত্যাকাণ্ডৰ ৪২ বছৰ অতিক্ৰম কৰাৰ পিছতো কোনো এখন চৰকাৰে হত্যাকাৰীক গ্ৰেপ্তাৰ নকৰিলে। তদুপৰি চৰকাৰে গঠন কৰি দিয়া তিৱাৰী আয়োগৰ প্ৰতিবেদনো ৰাজহুৱা নকৰিলে বুলি আক্ষেপ ব্যক্ত কৰে। কাৰ্যসূচী এবিএমছুৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক নজৰুল ইছলামে অংশগ্ৰহণ কৰি ১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰীৰ আজিৰ দিনটোতে নেলীত বেচৰকাৰী হিচাপ অনুযায়ী ১০ হেজাৰকৈ নিৰীহ লোক হত্যাৰ বলি হোৱাৰ পিছতো চৰকাৰে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিব পৰা নাই বুলি কয়। আজিৰ কাৰ্যসূচীত এবিএমছুৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি মইনুদ্দিন আলি, কেন্দ্ৰীয় নেতা আতাউৰ ৰহমান, দিলোৱাৰ আলি, কাৰ্যকৰী সভাপতি মনিৰুজ্জামান, উপসভাপতি ক্ৰমে ছামিদুল মণ্ডল আৰু সহিদুল সেখৰ উপৰিও এবিএমছুৰ শতাধিক সদস্যই অংশ লয়।

## গোলকগঞ্জত ব্ৰয়লাৰ মুৰ্গীৰ লৈ বৃহৎ ছিণ্ডিকেট, স্থানীয় ব্যৱসায়ীক হাৰাশাস্তিৰ অভিযোগ

# পয়চল্লিশ হাজাৰ টকা দি নিষিদ্ধ ব্ৰয়লাৰ বাহন বৈধ হৈ সোমাইছে অসমত

**ই-সংবাদ, গোলকগঞ্জ, ১৮ ফেব্ৰুৱাৰীঃ** বাৰ্ড ফ্লুৰ ভাইৰাছ সংক্ৰমণৰপৰা ৰক্ষাৰ বাবে ২০২৩ চনৰ মাৰ্চ মাহত অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে পূব সীমান্তৰে হাঁহ-পাৰ-কুকুৰা অসমত প্ৰৱেশত নিষেধাজ্ঞা আৰোপ কৰাৰ সুযোগ লৈ ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তত গঢ়ি উঠিছে ব্ৰয়লাৰ মুৰ্গীৰ বৃহৎ ছিণ্ডিকেট। এটা বছৰে সীমান্তত ব্ৰয়লাৰৰ ছিণ্ডিকেট অব্যাহত আছে যদিও শেহতীয়াকৈ এই ক্ষেত্ৰত সৰৱ হৈ উঠিছে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন। যোৱা যোল্ল ফেব্ৰুৱাৰীত গোলকগঞ্জত অনুষ্ঠিত মুকলি সভাত তেওঁ প্ৰকাশ্যে মন্তব্য কৰিছিল যে অসম-পশ্চিমবংগ সীমান্তত মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠই চলাই আছে ছিণ্ডিকেট। অসমত প্ৰৱেশ কৰা প্ৰতিখন ব্ৰয়লাৰ কঢ়িওৱা বাহনৰপৰা ছিণ্ডিকেট বাহিনীয়ে পইচল্লিশ হাজাৰ টকা লৈ অসমত প্ৰৱেশ কৰিবলৈ দিয়ে। অভিযোগ মতে, ছিণ্ডিকেট চক্ৰ চলিছে গুৱাহাটীৰপৰা। চক্ৰটোৱে সীমান্ত অঞ্চলত একাংশ যুৱকক নিয়োগ কৰিছে। সিহঁতৰ কাম হ'ল বাহনসমূহ নম্বৰ পৰীক্ষা কৰা। গুৱাহাটীত ধন জমা কৰা বাহনৰ নম্বৰসমূহ পঠাই দিয়ে। যুৱকৰ দলটোৱে নম্বৰ দেখি অসমত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়ে। একাংশ বাহন ছিণ্ডিকেট চক্ৰক ধন নিদিয়াকৈ ভিতৰুৱা গোপন পথে অসমত প্ৰৱেশ কৰে। এইসমূহ বাহন আটক কৰিবলৈ ছিণ্ডিকেট চক্ৰৰ এটা ম'বাইল টিম আছে। টিমটোৱে বেলগুৰি উত্তৰ ৰায়পুৰ প্ৰথম খণ্ডত ছিণ্ডিকেটৰ ধন ফাঁকি দিয়া বাহনসমূহ আটক কৰি আৰক্ষীক গতাই দিয়ে। আৰক্ষীয়ে কেতিয়াবা বুজাবুজি কৰি পশ্চিমবংগলৈ ঘূৰাই পঠায়। আন কিছুমান বিভাগীয় নিয়মানুসৰি পশুপালন বিভাগৰ দ্বাৰা পশ্চিমবংগৰ বুলি প্ৰমাণ কৰি মাটিত পুতি পেলায়। কিন্তু শেহতীয়াকৈ ছিণ্ডিকেট চক্ৰই অঞ্চলটোত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। ছিণ্ডিকেট চক্ৰই নিদ্ৰা হৰিছে স্থানীয় ব্ৰয়লাৰ আৰু সোনালী মুৰ্গী পালকৰো। পশ্চিমবংগৰ মুৰ্গীৰ লগতে অসমৰ যুৱকসকলে পালন কৰা সোনালী মুৰ্গী-ব্ৰয়লাৰ আটক কৰি ধন সংগ্ৰহৰ অভিযোগ উত্থাপন হৈছে। আজি পুৱা কালডোবাৰ পৰা গৌৰীপুৰ অভিমুখী AS 17C 1994 নম্বৰৰ সোনালী মুৰ্গী কঢ়িওৱা বাহনখন বেলগুৰিত ছিণ্ডিকেট বাহিনীৰ নিয়োগ কৰা যুৱকে আটক কৰি আগমনি থানাত গতাই দিয়াক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বাহনখনত তিনি কুইন্টল সোনালী মুৰ্গী আছিল। পশুপালন বিভাগে বাইশ হাজাৰ তিনিশ টকা জৰিমনা কৰে। ইপিনে, আগমনিৰ বসাকপাৰাৰ কৃষ্ণ শীলে নিজ ঘৰত সোনালী মুৰ্গীবোৰ পালন কৰা দাবী কৰে। স্থানীয় লোকে পালন কৰা মুৰ্গীৰ ওপৰত এনেকৈ জৰিমনা কৰাত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে স্থানীয় পালকসকলে। ইয়াৰ এক উচ্চপৰ্যায়ৰ তদন্তৰ দাবী জনাইছে ৰাইজে।

# নগৰীয়া ভূমি ব্যৱস্থাপনা উন্নত কৰাৰ বাবে বৰপেটাৰোডত কেন্দ্ৰ সমৰ্থিত 'নাক্সা' কাৰ্যসূচী আৰম্ভ

**ই-সংবাদ, বৰপেটাৰোড, ১৮ ফেব্ৰুৱাৰীঃ** ভাৰত চৰকাৰৰ সমৰ্থিত পাইলট প্ৰগ্ৰেম নেশ্যনেল জিঅ'স্পেটিয়েল ন'লেজ বেছড লেণ্ড ছাৰ্ভে অব আৰ্বান হেবিটেশ্যনছ চমুকৈ 'নাক্সা' বৰপেটা জিলাৰ বৰপেটা পথ নগৰীয়া স্থানীয় সংস্থাত ২০২৫ চনৰ ১৮ ফেব্ৰুৱাৰীত আৰম্ভ কৰা হয়। ২৬ খন ৰাজ্য আৰু ৩খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ১৫২টা পাইলট ইউএলবিত এই কাৰ্যসূচী আৰম্ভ কৰা হৈছে। উল্লেখ্য যে এই প্ৰকল্পৰ বাবে নিৰ্ধাৰিত ১০টা অসম ইউএলবিৰ ভিতৰত বৰপেটাৰোড অন্যতম। উন্মোচনী অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত (ৰাজহ) কৌস্তভ কলিতা, বৰনগৰৰ ৰাজহ চক্ৰ বিষয়া নিৰ্মল জ্যোতি শৰ্মা, বৰপেটাৰোড পৌৰসভাৰ কাৰ্যবাহী বিষয়া প্ৰিয়াংকু বৰুৱা, বৰপেটাৰোড পৌৰসভাৰ অধ্যক্ষ ৰাজেশ সৰকাৰ, বৰপেটাৰোড পৌৰ সভাৰ উপাধ্যক্ষ, বৰপেটা (ৰাজহ) আই এল আৰ এম এছৰ পৰামৰ্শদাতা, বৰপেটাৰোড পৌৰ সভাৰ ৱাৰ্ড কমিছনাৰ আৰু অন্যান্য ব্যক্তিসকল উপস্থিত থাকে। এই অনুষ্ঠানত 'এপ'টোৰ কাম-কাজৰ বিশদ বিৱৰণীৰে এটা চুটি ভিডিঅ' প্ৰদৰ্শন কৰাৰ লগতে মেপিং প্ৰক্ৰিয়াত কেনেকৈ ড্ৰ'ন ব্যৱহাৰ কৰা হ'ব তাৰ এটা চুটি ভিডিঅ' প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে ভাৰতত 'নগৰ শাসনত বিপ্লৱ' বুলি অভিহিত হোৱা নক্সাই জাতিটোৰ নগৰীয়া ভূমি ব্যৱস্থাপনাৰ উন্নতি সাধন কৰিব বিচাৰিছে। ভূমিৰ মালিকীস্বত্বৰ সঠিক আৰু নিৰ্ভৰযোগ্য নথিপত্ৰ নিশ্চিত কৰিবলৈ নগৰ অঞ্চলত ভূমিৰ ৰেকৰ্ড সৃষ্টি আৰু আপডেট কৰাটোৱেই এই 'নাক্সা' কাৰ্যসূচীৰ লক্ষ্য। অনুষ্ঠানত মিছনৰ কাৰিকৰী দিশসমূহৰ বিষয়ে আৰু অভিলাষী আঁচনিখনৰ অধীনত লেণ্ড মেপিং কেনেদৰে কৰা হ'ব সেই বিষয়ে অৱগত কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত (ৰাজহ) কৌস্তভ কলিতাই ভাষণ দি কয় যে নক্সাই ভূমিৰ ৰেকৰ্ড ৰখাটো অধিক স্বচ্ছ কৰি তোলাত সহায় কৰিব। নাক্সাৰ জৰিয়তে মেপ আৰু ৰেকৰ্ডৰ বিবাদ অধিক সহজে সমাধান হ'ব বুলিও তেওঁ লগতে উল্লেখ কৰে। অনুষ্ঠানত গণ্য মান্য ব্যক্তিসকলেও বৰপেটাৰোড পৌৰ এলেকাৰ বাসিন্দাসকলৰ ভূমি সম্পৰ্কীয় অভাৱ-অভিযোগ শুনাৰ লগতে আৰু এই নাক্সাই তেওঁলোকৰ অভাৱ-অভিযোগ সমাধানত কেনেদৰে সহায় কৰিব পাৰে সেই বিষয়ে পৰামৰ্শ দিয়ে।

# ডবকাত হোজাই জিলা প্ৰশাসনৰ বিশেষ নাকা চেকিং

**ই-সংবাদ, মোৰাঝাৰ, ১৮ ফেব্ৰুৱাৰীঃ** আজি দুপৰীয়াৰ পৰা সন্ধিয়াৰ আগলৈকে হোজাই জিলাৰ ডবকা-ডিফু বাইপাছৰ সমীপত হোজাই জিলা প্ৰশাসনৰ আহ্বানত হোজাই জিলা পৰিবহণ বিভাগ আৰু আৰক্ষীৰ লোকে বিশেষ নাকা চেকিং কৰাৰ সমান্তৰালকৈ পথ সুৰক্ষা সন্দৰ্ভত ৰাইজক সজাগ কৰে। অনুষ্ঠানত হোজাই জিলা আৰক্ষী প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য যে, ডবকা চহৰৰ ডবকা-ডিফু সংযোগী পথৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি হোজাই জিলা প্ৰশাসন, হোজাই জিলা পৰিবহণ বিভাগ আৰু ডবকা আৰক্ষীৰ সহযোগত পথ সুৰক্ষাৰ বাবে সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে নাকা চেকিং কৰা হয়। ডবকাৰ হাজী ফৈয়াজ আলী জুনিয়ৰ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অন্যান্য বিদ্যালয়ৰ কেইবা শতাধিক ছাত্ৰ-ছাত্ৰী উক্ত কাৰ্যসূচীত উপস্থিত থাকি মটৰ চাইকেল আৰোহী, চাৰি চকীয়া বাহনৰ চালকক পথ সুৰক্ষাৰ বিষয়ে বুজাই দিয়ে। এই নাকা চেকিংত হোজাইৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পল্লৱ তামুলী, ডিএছপি ভাস্বতী চৌধুৰী আৰু ডবকা পৌৰসভাৰ কাৰ্যবাহী বিষয়া ধীৰেন বৰদলৈ, পৰিবহণ বিভাগৰ দেৱজিৎ শৰ্মা, প্ৰাৰ্থ গগৈসহ অন্যান্যসকল উপস্থিত থাকি মটৰ চাইকেল চালক, আৰোহী, চাৰি চকীয়া বাহন আৰু ডাঙৰ গাড়ীৰ চালকক ছীটবেল্ট ব্যৱহাৰ কৰি গাড়ী চলাবলৈ আহ্বান জনোৱাৰ লগতে পৰিবহণ বিভাগৰ যাৱতীয় নীতি-নিয়ম মানি গাড়ী মটৰ চলাবলৈ আহ্বান জনায়। উক্ত নাকা চেকিংৰ সময়ত অতিৰিক্ত বোজা কঢ়িওৱা আৰু যান-বাহন নিয়ম উলংঘা কৰা বহু কেইখন বাহনক পৰিবহণ বিভাগে জৰিমনা বিহে।

# মুছলপুৰত টাইপাৰ বিৰুদ্ধে ১৬ খনকৈ এজাহাৰ শংকৰ সংঘৰ

**ই-সংবাদ, মুছলপুৰ, ১৮ ফেব্ৰুৱাৰীঃ** চৰাইদেউ জিলাৰ সোণাৰি নগৰৰ মাজ মজিয়াত কালি টাই আহোম যুৱ পৰিষদ অসম চমুকৈ টাইপা নামৰ সংগঠনটোৰ কেইজনমান কৰ্মকৰ্তাই প্ৰতিবাদৰ নামত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতীক চিহ্ন আৰু সংবিধানৰ প্ৰতিলিপি দাহ কৰাক লৈ ৰাজ্যজুৰি ওলাই আহিছে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাপ-আইসকল। টাইপা নামৰ আহোম সংগঠনটোৰ সদস্যসকলৰ এনে অপকৰ্মৰ বিৰুদ্ধে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাক্সা জিলাৰ শাখাৰ লগতে কেবাখনো আঞ্চলিক আৰু প্ৰাথমিক শাখাইও আজি পৃথকে পৃথকে মুছলপুৰ সদৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। জিলা শাখা, আঞ্চলিক শাখা আৰু বিভিন্ন প্ৰাথমিক শাখাই মুঠ ১৬ খনকৈ এজাহাৰ দাখিল কৰে মুছলপুৰ সদৰ আৰক্ষী থানাত। মুছলপুৰ সদৰ আৰক্ষী থানাত টাইপাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰি সংঘৰ বাক্সা জিলা শাখাৰ সভাপতি ৰবীন হালৈয়ে কয় যে শ্ৰীমন্ত শংকৰদেৱৰ সংঘ উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ আধ্যাত্মিক, সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান। এই অনুষ্ঠানটো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শৰে পৰিচালিত হোৱা এখন সংবিধানৰ ওপৰত ভিত্তি কৰি চলে। সংবিধানৰ গণ্ডীৰ ভিতৰত থাকি সঙ্ঘৰ লাখ লাখ সংগীয়ে অনুষ্ঠানটো পৰিচালিত কৰি আহি শতবৰ্ষ গৰকাৰ সময় হৈছে। তেনেক্ষেত্ৰত টাইপা নামৰ সংগঠনটোৱে সংঘৰ সংবিধান দাহ কৰি বাপ-আইসকলৰ মনত অত্যন্ত দুখ দিছে। সংবিধান জ্বলোৱা দুষ্কৃতিকাৰীৰ বিৰুদ্ধে অসম আৰক্ষীক তৎকালে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে এজাহাৰ দাখিল কৰিছো। আজিৰ এজাহাৰ দাখিলৰ সময়ত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাক্সা জিলা শাখাৰ সভাপতি ৰবীন হালৈৰ লগতে সম্পাদক হিতেশ বৈশ্য, উপদেষ্টা মহেন্দ্ৰ নাথ দাস, প্ৰাক্তন মূলৰ সদস্য উদ্ধৱ বৈশ্য, প্ৰাক্তন শৰণ সদস্য ভূমিধৰ পাঠক, কেন্দ্ৰীয় সেৱাবাহিনীৰ জিলাধিনায়ক কমলকৃষ্ণ হাজৰিকা, প্ৰাক্তন কেন্দ্ৰীয় সদস্য গদাধৰ ৰাজবংশীৰ লগতে বাপ-আই উপস্থিত থাকে।

# ৰঙিয়াত টাইপাৰ বিৰুদ্ধে সংঘৰ গোচৰ

**ই-সংবাদ, ৰঙিয়া, ১৮ ফেব্ৰুৱাৰীঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতীক চিহ্ন আৰু সংবিধানৰ প্ৰতিলিপি দাহ কৰা কাৰ্যৰ তীব্ৰ বিৰোধিতাৰে আজি টাইপাৰ বিৰুদ্ধে সংঘৰ ৰঙিয়া জিলা সমিতিয়ে এজাহাৰ দাখিল কৰে। টাই আহোম যুৱ পৰিষদৰ নেতৃবৃন্দই শ্ৰী মন্ত শংকৰদেৱ সংঘৰ সংবিধানৰ প্ৰতিলিপি আৰু প্ৰতীক চিহ্ন দাহ কৰা কাৰ্যত তীব্ৰ উদ্বেগ প্ৰকাশ কৰে সংঘৰ ৰঙিয়া জিলা শাখাৰ বিষয়ববীয়া সমন্বিতে ভিন্ন প্ৰান্তৰ পৰা উপস্থিত হোৱা ভকত বৃন্দই। ৰঙিয়া জিলা শাখাৰ অন্তৰ্গত ২২৫ খন প্ৰাথমিক আৰু ১৩ টাকৈ আঞ্চলিক শাখাৰ অৰ্ধশতাধিক বিষয়ববীয়া সমন্বিতে ভকত, বৈষ্ণৱ ৰঙিয়া আৰক্ষী থানাত উপস্থিত হৈ এজাহাৰ দাখিল কৰে।

# টাই আহোম যুৱ পৰিষদৰ নেতাৰ বিৰুদ্ধে কামপুৰত শংকৰ সংঘৰ এজাহাৰ

**ই-সংবাদ, কামপুৰ, ১৮ ফেব্ৰুৱাৰীঃ** টাই আহোম যুৱ পৰিষদ চমুকৈ 'টাইপা'ৰ নেতা উদ্দীপ্ত গগৈ আৰু তেওঁৰ সতীৰ্থসকলৰ বিৰুদ্ধে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কামপুৰ জিলা শাখাই আজি কামপুৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। কালি সোণাৰিত টাই আহোম যুৱ পৰিষদে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান আৰু প্ৰতীক দাহ কৰা কাৰ্যৰ বিৰোধিতা কৰি শংকৰদেৱ সংঘৰ কামপুৰ জিলা শাখা আৰু ৮ খন আঞ্চলিকৰ সদস্যৰ উপস্থিতিত সভাপতি মুনীন্দ্ৰ নাথ বৰা আৰু সম্পাদক দিগেন বৰাই এজাহাৰ দাখিল কৰে। সভাপতি আৰু সম্পাদকদ্বয়ে 'টাইপা'ৰ কৰ্মকৰ্তাসকলৰ এনে কাৰ্যই শংকৰদেৱ সংঘৰ স্বাভিমান আৰু গুৰুজনাৰ মহান আদৰ্শৰ ঐশ্বৰ্যময় সত্তাটোক কুঠাৰঘাট কৰিছে বুলি উল্লেখ কৰে। তদুপৰি 'টাইপা'ই শংকৰদেৱ সংঘক জনমানসত হেয় প্ৰতিপন্ন কৰিবলৈ কৰা কাৰ্যত লক্ষ লক্ষ ভকতে মনত প্ৰচণ্ড আঘাত পাইছে বুলি সংঘৰ কামপুৰ জিলা শাখাৰ সভাপতি-সম্পাদক দ্বয়ে বিষয়টো গুৰুত্বসহকাৰে লৈ তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণৰ অনুৰোধ জনায়।

# মাৰ্ঘেৰিটাত শংকৰদেৱৰ সংঘৰ টাইপাৰ বিৰুদ্ধে গোচৰ ৰুজু

**ই-সংবাদ, মাৰ্ঘেৰিটা, ১৮ ফেব্ৰুৱাৰীঃ** আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মাৰ্ঘেৰিটা জিলা সমিতিয়ে টাই আহোম যুৱ পৰিষদ, অসম (টাইপাৰ)ৰ বিৰুদ্ধে মাৰ্ঘেৰিটা আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। মাৰ্ঘেৰিটা জিলা সমিতি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শতাধিক সদস্যই মাৰ্ঘেৰিটা আৰক্ষী থানাত উপস্থিত হৈ টাইপাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। উল্লেখ্য যে টাইপাৰ নেতা-কৰ্মীয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান দাহ কৰা প্ৰতিবাদত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৫৫ খন জিলা সমিতিয়ে টাইপাৰ বিৰুদ্ধে প্ৰতিখন থানাতে এজাহাৰ দাখিল কৰিছে। উল্লেখ্যে যে সংঘৰ গহপুৰৰ চন্দ্ৰ বৰুৱা নামৰ সংঘৰ এগৰাকী সদস্যই টাই আহোম জনগোষ্ঠীয় ধৰ্মীয় উৎসৱ মে-ডাম-মে-ফীত অংশগ্ৰহণ কৰাৰ বাবে সংঘই ব্যক্তিজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছিল। শ্ৰীমন্ত শংকৰদেৱ সংঘই সংঘৰ সংবিধান দাহ কৰাৰ কাৰ্যক ধিক্কাৰ জনোৱা লগতে টাইপাৰ যিসকল কৰ্মকৰ্তাই এই দুস্কাৰ্য সংঘটিত কৰিছে সেইসকলৰ বিৰুদ্ধে প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# টাইপাৰ বিৰুদ্ধে শংকৰ সংঘৰ নাগশংকৰ আঞ্চলিকৰ চতিয়া থানাত এজাহাৰ

**ই-সংবাদ, চতিয়া, ১৮ ফেব্ৰুৱাৰীঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শিৰৰ মুকুটস্বৰূপ সংঘৰ সংবিধানখনক টাইপাৰ একাংশ সদস্যই দাহ কৰাৰ বিৰুদ্ধে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে সৰৱ হৈ উঠিছে শ্ৰীমন্ত শংকৰ সংঘৰ নাগশংকৰ আঞ্চলিক শাখা। সংঘৰ নাগশংকৰ আঞ্চলিকে আজি বিয়লি চতিয়া আৰক্ষী থানাত উপস্থিত হৈ টাইপাৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰি যিসকল সদস্যই এই অপমানজনক কাৰ্য্যত লিপ্ত হৈছে তেওঁলোকৰ বিৰুদ্ধে উচিত তথা দৃষ্টান্তমূলক পদক্ষেপ গ্ৰহণ কৰিবলৈ আৰক্ষীক দাবী জনায়। সংঘৰ সংবিধান দাহ কৰি অসমৰ লাখ লাখ সংঘৰ ভকতৰ বুকুত চূড়ান্ত আঘাত হনা বুলি উল্লেখ কৰি সংঘৰ নাগশংকৰ আঞ্চলিক শাখাই ভৱিষ্যতে এইধৰণৰ কাৰ্য্যৰ পৰা আঁতৰি থাকিবলৈও সকিয়াই দিয়ে।

# টাইপাৰ নেতাৰ বিৰুদ্ধে মৰিয়নি আৰক্ষী থানাত গোচৰ

**ই-সংবাদ, মৰিয়নি, ১৮ ফেব্ৰুৱাৰীঃ** সোণাৰি নগৰৰ মাজমজিয়াত টাই আহোম যুৱ পৰিষদৰ একাংশ নেতা-কৰ্মীয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতীক চিহ্ন আৰু সংবিধান দাহ কৰা কাৰ্যৰ বিৰুদ্ধে মৰিয়নি আৰক্ষী থানাত আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাগাজাংকা বাহনী আঞ্চলিক শাখাই গোচৰ দাখিল কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাগাজাংকা বাহনী আঞ্চলিক শাখাৰ সভাপতি ভূৱন গগৈ আৰু সম্পাদক আদিত্য নন্দন কোচৰ স্বাক্ষৰিত এজাহাৰত সংঘৰ প্ৰতীক চিহ্ন আৰু সংবিধান দাহন কাৰ্যত প্ৰত্যক্ষভাৱে জড়িত উদীপ্ত গগৈ আৰু টাইপা সদস্যৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ অনুৰোধ জনায়। এজাহাৰ দাখিলৰ সময়ত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বহুসংখ্যক ভকত মৰিয়নি আৰক্ষী থানাত উপস্থিত থাকে। প্ৰতিবাদৰ নামত টাইপা নেতা-কৰ্মীসকলে শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ প্ৰতীক চিহ্ন আৰু সংবিধান দাহ কৰি গুৰুতৰ অপৰাধ সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰে এজাহাৰকাৰীসকলে। এই কাৰ্যই শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ভকত-বৈষ্ণৱৰ অন্তৰত আঘাত দিয়াৰ লগতে টাইপাৰ নেতা-কৰ্মীসকলে সংবাদ মাধ্যমত উচতনিমূলক বক্তব্য প্ৰদান কৰি সমগ্ৰ অসমতে শান্তি-শৃংখলা, ঐক্য-সম্প্ৰীতি বিনষ্ট কৰাৰো অভিযোগ উত্থাপন কৰে। টাইপাৰ নেতা-কৰ্মীসকলৰ বিৰুদ্ধে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতিখন জিলা, আঞ্চলিক আৰু প্ৰাথমিক শাখাই অসমৰ থানাই থানাই এজাহাৰ দাখিল কৰিব বুলি তেওঁলোকে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

# তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত যুৱ সংসদ কাৰ্যসূচী ৰূপায়ণ

**ই-সংবাদ, তামুলপুৰ, ১৮ ফেব্ৰুৱাৰীঃ** তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি তামুলপুৰ জিলা সদৰত থকা তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত যুৱ সংসদ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। আজি পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হোৱা কাৰ্যসূচীখনিত অসম লোক সেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ, আই এ এছ বিষয়া ভাৰত ভূষণ দেৱ চৌধুৰী উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক গণতান্ত্ৰিক দেশত সংসদত কেনেদৰে বিভিন্ন সমস্যাসমূহৰ ওপৰত প্ৰশ্ন উত্থাপন কৰা হয় তথা এপিএছচি পৰীক্ষাত কেনেধৰণৰ প্ৰশ্ন কৰা হয় আদি বিষয়ত বহুল ব্যাখ্যা আগবঢ়ায়। তামুলপুৰ জিলাৰ বিভিন্ন বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা উক্ত কাৰ্যসূচীত তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তী, বিটিআৰৰ এমচিএলএ হেমন্ত কুমাৰ ৰাভাসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যুৱ সংসদ অনুষ্ঠিত কৰি গণতান্ত্ৰিক দেশ ভাৰতবৰ্ষত সংসদ কেনেদৰে অনুষ্ঠিত কৰা হয়, সংসদত মন্ত্ৰী, বিধায়কসকলে কেনেদৰে প্ৰশ্ন উত্থাপন কৰে ইত্যাদি বিষয়ৰ ওপৰত বিশদভাৱে আলোচনা কৰাৰ লগতে এই সম্পৰ্কত ছাত্ৰ-ছাত্ৰীসকলক একো একোটা বিভাগৰ মন্ত্ৰিত্বৰ দায়িত্ব প্ৰদান কৰি সংসদ পৰিচালনা কৰা হয়।

# ভেৰাগাঁৱত হাত-ভৰি বন্ধা অৱস্থাত এজন ব্যাক্তিক উদ্ধাৰ

**ই-সংবাদ, কলগাছিয়া, ১৮ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত খৰিচালাৰ ভেৰা গাঁৱত  হাত ভৰি বন্ধা অৱস্থাত এজন লোকক কলগাছিয়াৰ আৰক্ষীয়ে উদ্ধাৰ কৰাক কেন্দ্ৰ কৰি অঞ্চলজুৰি এক চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, শিলচৰৰ ৰাব্বই হুছেইন লস্কৰ নামৰ ব্যক্তিজনক খৰিচালাৰ আবুশ্বামা নামৰ ব্যক্তিজনে ছাগলীৰ ব্যৱসায় কৰাৰ ছলেৰে তেওঁৰ ঘৰলৈ মাতি আনিছিল। ৰাব্বই হুছেইন লস্কৰ আবু শ্বামাৰ ঘৰত উপস্থিত হোৱাৰ লগে-লগে আবু শ্বামাৰ লগতে আৰু দুজন ব্যক্তিয়ে লস্কৰক হাত-ভৰি বান্ধি মাৰপিট কৰাৰ লগতে বিভিন্ন ধৰণৰ নিৰ্যাতন চলোৱা অৱস্থাত ভিডিঅ' কৰে আৰু সেই ভিডিঅ' ৰাববই হুছেইন লস্কৰৰ পৰিয়ালৰ লোকক প্ৰেৰণ কৰাৰ লগতে দুষ্কৃতিকাৰীয়ে আঢ়ৈ লাখ টকা দাবী কৰা বুলি অভিযোগ উত্থাপন কৰে পৰিয়ালৰ লোকে। ইয়াৰ পিছতেই ৰাব্বই হুছেইন লস্কৰৰ পত্নীৰ অভিযোগৰ ভিত্তিত কলগাছিয়াৰ আৰক্ষীয়ে আবু শ্বামাৰ ঘৰত অভিযান চলাই প্ৰায় ১০ গ্ৰাম ড্ৰাগছসহ আবু শ্বামা, শ্বহিদুল ইছলাম, জাকিৰ হুছেইন, বাতেন আলী আৰু আজাদুল ইছলামৰ লগতে হাত-বন্ধা অৱস্থাত উদ্ধাৰ কৰে ৰাব্বই হুছেইন লস্কৰক। জানিব পৰা মতে, ইয়াৰ পূৰ্বেও আবু শ্বামা আৰু আশ্ৰাব আলী নামৰ ব্যক্তি দুজনে ইটা ভাটাত শ্ৰমিক প্ৰেৰণ কৰাৰ নামত ১ লাখ ৬৫ হেজাৰ টকা লুট কৰাৰ অভিযোগ কৰে ৰাব্বই লস্কৰে।

# নেলীৰ গণহত্যা, কলগাছিয়াত আমছুৰ ক'লা দিৱস

**ই-সংবাদ, কলগাছিয়া, ১৮ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ কলগাছিয়া গড়কাপ্তানী পৰিদৰ্শন বঙলাৰ সন্মুখত আমছুৱে আজি ক'লাবেজ পৰিধান কৰি সাব্যস্থ কৰে প্ৰতিবাদ। আজিৰ এই দিনটোতেই ঐতিহাসিক অসম আন্দোলনৰ সময়ত নেলী, নগাবন্ধা, মুকালমুৱা, গহপুৰ, চাউলখোৱা আৰু বিভিন্ন ঠাইত হত্যাকাণ্ড সংঘটিত হৈছিল। ১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰীত মৰিগাঁও জিলাৰ নেলী অঞ্চলত সংঘটিত হোৱা গণহত্যাৰ চৰকাৰী হিচাপ মতে ১৮১৯ গৰাকী লোকক নিৰ্মমভাৱে হত্যা কৰা হৈছিল। পৰৱৰ্তী সময়ত নেলী অঞ্চলত সংঘটিত হোৱা গণহত্যাৰ ভুক্তভোগীয়ে ৬৮৮ টা গোচৰ ৰুজু কৰিছিল, তাৰে ৩১০ টা গোচৰত আৰক্ষীয়ে মহামান্য আদালতত অভিযোগনামা দাখিল কৰিছিল আৰু ৩৭৮ টা গোচৰ সাক্ষী-প্ৰমানৰ অভাৱত আৰক্ষীয়ে বন্ধ কৰি ৰাখিছিল বুলি দোহাৰে আমছুৰ কৰ্মকৰ্তাসকলে। ১৯৮৩ চনৰ গণহত্যাৰ পিছত চৰকাৰে তিৱাৰী আয়োগ গঠন কৰি তদন্তৰ দায়িত্ব অৰ্পণ কৰিছিল। পৰৱৰ্তী সময়ত তেৱাৰী আয়োগে প্ৰতিবেদন দাখিল কৰে যদিও আজিলৈকে সেই প্ৰতিবেদন ৰাজহুৱা কৰা নহ'ল বুলি আন এক অভিযোগ উত্থাপন কৰে। সেয়ে নেলী অঞ্চলৰ ভুক্তভোগীয়ে আজিও ন্যায়ৰ পৰাবঞ্চিত হৈ আছে। যাৰ ফলত আজি কলগাছিয়া জিলা আমছুৱে কলগাছিয়া গড়কাপ্তানী পৰিদৰ্শন বঙলাৰ সন্মুখত ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্থ কৰাৰ লগতে শীঘ্ৰে তেৱাৰী আয়োগৰ প্ৰতিবেদন ৰাজহুৱা কৰিবলৈ দাবী জনায়। অন্যথায় অনাগত দিনত ভয়াৱহ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে। সদৌ অসম ছাত্ৰ ইউনিয়ন (আমছু) কেন্দ্ৰীয় কমিটীৰ উপ-সভাপতি লুতফৰ ৰহমান, কলগাছিয়া জিলা আমছুৰ সভাপতি শ্বৰিফুল ইছলাম, কলগাছিয়া জিলা আমছুৰ প্ৰাক্তন সভাপতি ফেন্দুছ আলী, সাধাৰণ সম্পাদক ইউচুফ পাঠানৰ লগতে আমছুৰ কেন্দ্ৰীয় কমিটীৰ সদস্য, জিলা কমিটী সদস্য আৰু আমছুৰ বিভিন্ন পৰ্যায়ৰ কৰ্মীসকল কাৰ্যসূচীত উপস্থিত থাকে।

# ছৈখোৱা কন্যাক নিৰ্যাতন চলোৱা পিতৃক জেললৈ প্ৰেৰণ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৮ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ পশ্চিম ছৈখোৱাৰ কপাহতলী গাৱঁৰ এটা লম্পটে নিজ কন্যাৰ লগত অসৎ কাৰ্য চৰিতাৰ্থ কৰি জেল হাজোলৈ যাব লগা হোৱাৰ দৰে মানৱ সমাজক লজ্জানত কৰা এটা চাঞ্চল্যকৰ ঘটনা পোহৰলৈ আহিছে। প্ৰাপ্ত তথ্য অনুসৰি, গাঁওখনৰ সত্যনাৰায়ণ ৰায়ৰ পুত্ৰ তথা চাৰি সন্তানৰ পিতৃ সঞ্জু ৰায় (৪৩) এ নিজৰ পোন্ধৰ বছৰীয়া কন্যাগৰাকীক আধাৰ কাৰ্ড বনাই দিয়াৰ উদ্দেশ্যেৰে পুব ছৈখোৱাৰ হাহঁখাটীলৈ নি মেচাকি  সংৰক্ষিত বনাঞ্চলত নিজ কন্যাক অসৎ কাৰ্য চৰিতাৰ্থ কৰি ঘৰলৈ ঘূৰি আহে। ঘটনাৰ সন্দৰ্ভত মাকৰ লগতে অন্য কাৰোবাক কলে মাৰি পেলোৱাৰো ভাবুকি দিয়ে লম্পট সঞ্জু ৰায়ে। কিন্তু ঘটনাৰ পিচ দিনাই কন্যাগৰাকীয়ে মাকৰ আগত পিতৃৰ উক্ত কু-কৰ্মৰ কথা বিৱৰি কোৱাত মাতৃ-কন্যাই মিলি ধলা আৰক্ষী থানাত লম্পট সঞ্জু ৰায়ৰ বিৰুদ্ধে এজাহাৰ দিয়ে। উক্ত এজাহাৰৰ ভিত্তিত ধলা আৰক্ষীয়ে লম্পট সঞ্জু ৰায়ক আটক কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে। ইফালে সঞ্জু ৰায়ৰ এনে ঘৃণনীয়, নিন্দনীয়, অসামাজিক কাণ্ডত ক্ষোভিত হৈ কপাহতলী গাঁৱৰ ৰাইজে আজি গাঁৱৰ মুকলি মঞ্চত এখন বৃহৎ ৰাজহুৱা সভা অনুষ্ঠিত কৰে। সভাত সঞ্জু ৰায়ৰ পত্নী আৰু কন্যাই সঞ্জু ৰায়ৰ কু-কৰ্মৰ কথা ৰাইজক অৱগত কৰাত সঞ্জু ৰায়ৰ ফাঁচী অথবা যাৱজ্জীৱন কাৰাদণ্ডৰ দাবীৰে কেইবাটাও ৰাজহুৱা প্ৰস্তাৱ গ্ৰহণ কৰি উক্ত প্ৰস্তাৱসমূহ তিনিচুকীয়া জিলা আয়ুক্ত আৰু শদিয়া সমজিলা আয়ুক্তলৈ প্ৰেৰণ কৰাৰ লগতে অসমৰ মুখ্যমন্ত্ৰীলৈও প্ৰস্তাৱ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। পিতৃৰ নামত কলংকস্বৰূপ সঞ্জু ৰায়ৰ কু-কৰ্মক সকলোৱে ধিক্কাৰ দিয়াৰ লগতে কঠোৰ শাস্তিৰ দাবী তুলিছে।

# গুৱাহাটীৰ ৰূপনগৰত মুক্তিযুঁজাৰু সন্মিলনৰ সম্পাদক মণ্ডলীৰ সাধাৰণ সভা

**ই-সংবাদ, পুৰণিগুদাম, ১৮ ফেব্ৰুৱাৰীঃ** অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ অন্তৰ্গত জিলা মুক্তিযুঁজাৰু সন্মিলনসমূহৰ সভাপতি, সম্পাদক মণ্ডলীৰ এখন অতি গুৰুত্বপূৰ্ণ সাধাৰণ সভা অজি গুৱাহাটীৰ ৰূপনগৰস্থিত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ জিৰণি ঘৰত অনুষ্ঠিত হৈ যায়। অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক দ্বিজেন্দ্ৰ মোহন শৰ্মাই উদ্দেশ্য বাখ্যা কৰা আৰু ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি পুণ্যেশ্বৰ দুৱৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত উপস্থিত থাকে অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ যুটীয়া সচিব দিলীপ কুমাৰ ব'ৰ্থা। আজিৰ সভাত অসমৰ প্ৰায়সমূহ জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সম্পাদকসকল উপস্থিত থাকি অসম চৰকাৰৰ স্বীকৃতি প্ৰাপক মুক্তিযুঁজাৰু পেঞ্চনাৰ তথা মুক্তিযুঁজাৰু নিৰ্ভৰশীল বিধৱা পত্নী আৰু অবিবাহিত জীয়ৰী পেঞ্চনাৰসকলৰ যুটীয়া প্ৰমাণিকৰণ প্ৰক্ৰিয়া কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত পোৱা সমস্যাসমূহৰ বাখ্যা নিজৰ নিজৰ বক্তব্যত উল্লেখ কৰে। আজিৰ সভাতে ১৭ খন জিলা মুক্তিযুঁজাৰু সন্মিলনে নিজৰ নিজৰ জিলাৰ পেঞ্চন পাই থকা মুক্তিযুঁজাৰু পেঞ্চনাৰসকলৰ তথ্য সম্বলিত তালিকাসমূহ দাখিল কৰে। এই সন্দৰ্ভত অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ যুটীয়া সচিবগৰাকীয়ে নিজৰ বক্তব্যত কয় যে যিসমূহ জিলাই এতিয়াও পেঞ্চনাৰৰ তথ্য তালিকা জমা দিয়া নাই, সেইসকলক মুক্তিযুঁজাৰু উত্তৰাধিকাৰী কুটুম্ব পেঞ্চনৰ স্বাৰ্থত অহা দহদিনৰ ভিতৰত জমা দিবলৈ আহ্বান জনায়। অন্যথা মুক্তিযুঁজাৰু পেঞ্চনাৰৰ তথ্য তালিকা জমা নিদিয়া জিলাসমূহত মুক্তিযুঁজাৰু উত্তৰাধিকাৰী কুটুম্ব পেঞ্চন প্ৰাপ্তিৰ পৰা বঞ্চিত হ'ব লাগিব বুলি জনায়। এইক্ষেত্ৰত মুক্তিযুঁজাৰু সন্মিলনসমূহক জিলা আয়ুক্তগৰাকীয়ে পূৰ্ণ সহযোগিতা আগবঢ়াব পৰাকৈ যুটীয়া সচিবগৰাকীয়ে তাৎক্ষণিকভাৱে জিলা আয়ুক্তসকললৈ তাঁৰ বাৰ্তা প্ৰেৰণ কৰিব বুলি সভাত অৱগত কৰে। আজিৰ সভাত লক্ষীমপুৰৰ পৰা দিলীপ ৰয়, বজালীৰ গিৰিশ পাটগিৰি, যোৰহাটৰ মুনীন্দ্ৰ নাথ দত্ত, নগাঁৱৰ নীলৰঞ্জন শৰ্মা, দৰঙৰ ড০ বিনয়ৰঞ্জন শৰ্মা আৰু কমলেশ্বৰ ডেকা, শিৱসাগৰৰ ধীৰেণ চেতিয়া, নলবাৰীৰ নৃপাল বৰ্মা, মৰিগাঁৱৰ পদ্ম বৰা, শিৱসাগৰৰ ধীৰেণ চেতিয়া, কামৰূপ মহানগৰৰ কমল চন্দ্ৰ লহকৰ, কামৰূপ গ্ৰাম্যৰ অমৰজিৎ শইকীয়া, বাক্সাৰ নৰজ্যোতি ঠাকুৰীয়া, বিহপুৰীয়াৰ প্ৰশান্ত ভুঞা, গোলাঘাটৰ ৰমেশ গোস্বামী, নাজিৰাৰ পুতুল শৰ্মা প্ৰমুখ্যে বৰাকভেলীৰ কেইবাগৰাকীও সদস্যই বক্তব্য প্ৰদান কৰে। আজিৰ সভাত অসম চৰকাৰৰ তৰফৰ পৰা ভূমিহীন আৰু গৃহহীন মুক্তিযুঁজাৰু পৰিয়ালক নীতিগতভাৱে ঘৰ আৰু মাটি প্ৰদান কৰা সন্দৰ্ভত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক দ্বিজেন্দ্ৰমোহন শৰ্মাই বক্তব্যত উল্লেখ কৰাৰ লগতে চাকৰি আবেদনকাৰী মুক্তিযুঁজাৰু পৰিয়ালৰ সদস্যক জিলা সন্মিলনৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায়। আজিৰ সম্পাদক মণ্ডলীৰ গুৰুত্বপূৰ্ণ সাধাৰণ সভাখনতে মুক্তিযুঁজাৰু উত্তৰাধিকাৰী পেঞ্চনসহ অসম চৰকাৰৰ ওচৰত সন্মিলনৰ পৰা উত্থাপন কৰা দাবীসমূহৰ কাৰ্যকৰীকৰণৰ স্বাৰ্থত অনাগত বৰ্ষৰ বাবে বৰ্তমানৰ ৰাজ্যিক সমিতিখনৰ কাৰ্যকাল বাহাল ৰখাৰ লগতে শোণিতপুৰৰ জুৱেল নাথৰ স্থানত প্ৰণৱ বৰাক ৰাজ্যিক সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচন কৰা হয়। ৰাষ্ট্ৰীয় সংগীতৰে আৰম্ভ কৰা সভাখনত হাইলাকান্দিৰ সভাপতি সজ্জল ভট্টাচাৰ্যই তেওঁৰ মুক্তিযুঁজাৰু পিতৃ ৫৫ কেজি ওজনৰ লোৰ শিকলিৰে বন্ধা বিখ্যাত আলোক চিত্ৰখন ৰাজ্যিক সমিতিক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে।পৰা ৫ জনকৈ প্ৰতিনিধিক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। প্ৰতিনিধিসকলে কোনো মাচুল দিব নালাগে।

# পল্লৱী গেছ এজেন্সিৰ বিৰুদ্ধে ব্যাপক অনিয়মৰ অভিযোগ

**ই-সংবাদ, মিৰ্জা, ১৮ ফেব্ৰুৱাৰীঃ** দক্ষিণ কামৰূপৰ বিজয়নগৰ আৰক্ষী চকীৰ অন্তৰ্গত ৰামপুৰৰ পল্লৱী গেছ এজেন্সিত আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। অভিযোগ অনুসৰি দক্ষিণ কামৰূপ পলাশবাৰী সমষ্টিৰ ৰামপুৰৰ পল্লৱী গেছ এজেন্সিত বহুত দিনৰ পৰা গ্ৰাহকক ঠগ-প্ৰৱঞ্চনাৰে টকা ঘটাৰ তথ্য পোহৰলৈ আহিছে। কালি ৰামপুৰৰ হীৰেন কলিতা নামৰ লোক এজন পৰা গেছৰ কাৰ্ডৰ ৰূপান্তৰ আৰু নাম সলনি কৰাৰ বাবত ৩ হাজাৰ টকা উৎকোচ লয় বুলি ভুক্তভুগীয়ে ব্যক্ত কৰে। উক্ত এজেন্সিত পিছত এই বিষয়ে সোধা-পোছা কৰাত হীৰেন কলিতাক এজেন্সিৰ বাহিৰলৈ উলিয়াই দিয়ে। লগে লগে এজেন্সিটোত উত্তপ্ত উপৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে গ্ৰাহকক ঠগ-প্ৰৱঞ্চনাৰে লুটিপুটি খোৱাই এতিয়া একাংশ গেছ এজেন্সিটোৰ মুখ্য উদ্দেশ্য হৈ পৰিছে। পৰৱৰ্তী সময়ত বিভাগীয় কৰ্তৃপক্ষই এই গেছ এজেন্সিবোৰৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ত বন্যবন্ধুৰ সহযোগত 'কেম্পাচ বাৰ্ড কাউণ্ট'

ই-সংবাদ, মিৰ্জা, ১৮ ফেব্ৰুৱাৰীঃ যোৱা ১৪ ফেব্ৰুৱাৰীৰ পৰা আজি ১৭ ফেব্ৰুৱাৰীলৈ বিশ্বব্যাপি আয়োজিত হোৱা 'গ্ৰেট বেকইয়াৰ্ড বাৰ্ড কাউন্ট(GBBC)'ৰ লগত সংগতি ৰাখি ৰামপুৰ আঞ্চলিক কলেজৰ চৌপাশতো কেম্পাচ চৰাই গণনা কৰা হয়। এই অনুষ্ঠান মূলতঃ "কৰ্ণেল লেব অব ওৱনিথ'লজী", "নেচনেল ওডাবন ছ'চাইটি" আৰু "বাৰ্ড কানাডা"(Birds Canada)ৰ যৌথ প্ৰচেষ্টাৰ ফল। এই অনুষ্ঠান ভাৰতত "বাৰ্ড কাউন্ট ইণ্ডিয়া"(Bird Count India), "ই-বাৰ্ড ইণ্ডিয়া"(eBird India) আৰু অসমত "অসম পক্ষী নিৰীক্ষণ নেটৱৰ্ক"( Assam Bird Monitoring Network)ৰ দ্বাৰা আয়োজন কৰা হয়। উক্ত অনুষ্ঠানৰ এক অংশস্বৰূপে কালি পুৱাৰ ভাগত কামৰূপ জিলাৰ ৰামপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ চৌহদত "বন্যবন্ধু"ৰ সহযোগত "কেম্পাছ বাৰ্ড কাউন্ট" (Campus Bird Count) অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই গণনাত মুঠ ২৪ বিধ প্ৰজাতিৰ চৰাই তালিকাভুক্ত কৰা হয়। বন্যবন্ধুৰ কৰ্মী প্ৰসন্ন কলিতা আৰু পৰশমণি ৰাভাই এই নিৰীক্ষণ প্ৰক্ৰিয়া অতি সুচাৰুৰূপে পৰিচালনা কৰে। উল্লেখ যে যোৱা ১৫ ফেব্ৰুৱাৰীত উক্ত পৰিৱেশ কৰ্মী সংগঠন 'বন্যবন্ধু'-এ বকোৰ জৱহৰলাল নেহৰু মহাবিদ্যালয়ত পুৱা কৰা চৰাই গণনাত মুঠ ৩২ বিধ প্ৰজাতিৰ চৰাই পৰ্যবেক্ষণ আৰু নথিভুক্ত কৰা হয়। উক্ত গণনাত Purple-rumped Sunbird নামৰ স্থানীয়ভাৱে বিৰল চৰাই প্ৰজাতি এটাও নথিভুক্ত কৰা হয়।

# নেলী গণহত্যাৰ প্ৰতিবাদত গোৱালপাৰা-দক্ষিণ বৰপেটা জিলা আমছুৰ ক'লা দিৱস



**ই-সংবাদ, শিমলীতোলা, ১৮ ফেব্ৰুৱাৰীঃ** আজি ১৯৮৩ চনৰ নেলী হত্যাকাণ্ডৰ ন্যায়ৰ প্ৰতিবাদত সমগ্ৰ অসমৰ লগতে বাঘমাৰা চৰ আঞ্চলিক আমছুৰ সহযোগত আমছুৰ দক্ষিণ বৰপেটা জিলা সমিতি আৰু নৱাগত শিমলীতোলা আৰু জিবাৰাংগা আঞ্চলিক আমছুৰ সহযোগত গোৱালপাৰা জিলা সমিতিয়ে ক'লা দিৱস পালন কৰে। আজিৰ দিনটো অসমৰ ইতিহাসৰ এটা ক'লা দিন বুলিব পাৰি। কিয়নো জুয়ে পোৱা ৮৩-ৰ এই দিনটোতেই অসমৰ কেইবা ঠাইত সংঘটিত হৈছিল কেইবাটাও গণহত্যাৰ ঘটনা (Assam movement 1983)। আজিৰ দিনটোতেই ঐতিহাসিক অসম আন্দোলনৰ সময়ত নেলী, নগাবন্ধা, মুকালমুৱা, গহপুৰ, চাউলখোৱা আদি বিভিন্ন ঠাইত নিৰ্মম হত্যাকাণ্ড সংঘটিত হৈছিল (massacre in Assam movement)। ১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰীত মৰিগাঁও জিলাৰ নেলী অঞ্চলত সংঘটিত গণহত্যাত চৰকাৰী হিচাপ মতে ২,১৯১ গৰাকী লোকক নিৰ্মমভাৱে হত্যা কৰা হৈছিল (1983 Nellie massacre)। পৰৱৰ্তী সময়ত নেলী অঞ্চলত সংঘটিত হোৱা গণহত্যাৰ ভুক্তভোগীয়ে ৬৮৮ টা গোচৰ ৰুজু কৰিছিল। তাৰে ৩১০ টা গোচৰৰ আৰক্ষীয়ে মহামান্য আদালতত অভিযোগনামা দাখিল কৰিছিল আৰু ৩৭৮ টা গোচৰ সাক্ষী-প্ৰমাণৰ অভাৱত আৰক্ষীয়ে বন্ধ কৰিছিল। আনহাতে, ১৯৮৩ চনৰ গণহত্যাৰ পিছত চৰকাৰে তিৱাৰী আয়োগ গঠন কৰি উক্ত হত্যাকাণ্ডৰ তদন্তৰ দায়িত্ব অৰ্পণ কৰিছিল (Tiwari commission for Nellie massacre)। পৰৱৰ্তী সময়ত তিৱাৰী আয়োগে প্ৰতিবেদন দাখিল কৰে যদিও আজিলৈকে সেই প্ৰতিবেদন ৰাজহুৱা নহ'ল। যাৰ ফলত নেলী অঞ্চলৰ ভুক্তভোগীয়ে আজিও ন্যায়ৰ পৰা বঞ্চিত হৈ আছে। সেই পাহৰিব নোৱাৰা ঘটনাৰ স্মৃতিতেই নেলীৰ হত্যাকাণ্ডৰ ন্যায় বিচাৰি আমছুৱে প্ৰত্যেক বছৰৰ দৰে এই বছৰতো ক'লা দিৱস হিচাপে পালন কৰি ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰে। উক্ত প্ৰতিবাদী কাৰ্যসূচীত শিমলীতোলাত, গোৱালপাৰা জিলা আমছুৰ উপ-সভাপতি ইমদাদ হুছাইন, সাংগঠনিক সম্পাদক আতৰোৱাৰ ৰহমান, সম্পাদক সাহিনুৰ ৰহমানৰ লগতে বাঘমাৰাত দক্ষিণ বৰপেটা জিলা আমছুৰ সম্পাদক ৰফিকুল ইছলাম উপস্থিত থাকি শীঘ্ৰে তিৱাৰী আয়োগৰ প্ৰতিবেদন ৰাজহুৱা কৰিবলৈ দাবী জনায়।

# ডিমাকুছিত গণশিল্পী মহেন্দ্ৰ হাজৰিকাক জনতাৰ শিল্পী বঁটা প্ৰদান

**ই-সংবাদ, ডিমাকুছি, ১৮ ফেব্ৰুৱাৰীঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ ডিমাকুছিত ১৬ ফেব্ৰুৱাৰীত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সফল সামৰণি পৰে। সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু বি টি আৰ জ'নাল সমিতিৰ সহযোগত ওদালগুৰি জিলাৰ ডিমাকুছিৰ জৌহৌলাও নিলেশ্বৰ ব্ৰহ্ম সাংস্কৃতিক প্ৰেক্ষাগৃহৰ প্ৰাঙ্গণত দিনজোৰা কাৰ্যসূচীৰে আয়োজন কৰা প্ৰতিষ্ঠা দিৱসত ৰাতিপুৱা পতাকা উত্তোলনৰ কৰে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি থানেশ্বৰ দাসে, সুধাকণ্ঠ ভূপেন হাজৰিকা, ভিমৰাও আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন আৰু বন্তি প্ৰজ্বলন কৰে কেন্দ্ৰীয় সমিতিৰ সহ:সম্পাদক ক্ষিৰোদ কুমাৰ দাস আৰু কেন্দ্ৰীয় সমিতিৰ বিত্তীয় সম্পাদক ৰাজীৱ দাসে। স্মৃতি তৰ্পণ কৰে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক সুশীল সুত্ৰধৰ আৰু পৰশজ্যোতি দাসে। উক্ত অনুষ্ঠানতে অসমৰ জনপ্ৰিয় গণশিল্পী মহেন্দ্ৰ হাজৰিকাক জনতাৰ শিল্পী বঁটা প্ৰদান কৰে সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাই। বঁটা গ্ৰহণ কৰি মহেন্দ্ৰ হাজৰিকাই সাংবাদিকৰ সন্মুখত কয় যে গণশিল্পী প্ৰয়াত ৰাজীৱ শদিয়া পাবত গজা নহয় মাটিত গজা শিল্পী আছিল। গণশিল্পী বুলি কাক কোৱা হয় তাক ৰাজীৱ শদিয়াই বুজাই থৈ গ'ল। বৰ্তমান সময়ত কণ্ঠশিল্পীৰ অভাৱ নাই। কিন্তু সহজ-সৰল খাটিখোৱা জীৱনৰ ভাষাৰে আগবাঢ়ি গৈ শ্ৰম জীৱনৰ বাতৰি বিলোৱা শিল্পীৰ অভাৱ। অসমৰ একমাত্ৰ শিল্পী ৰাজীৱ শদিয়া যিয়ে খামধুমিয়াৰপৰা আঁতৰি গানেৰে শ্ৰম জীৱনৰ বাতৰি বিলাইছিল। বহু ত্যাগ আৰু কষ্টৰে অসমৰ জাতীয় গণজীৱনক অনুসৰণ কৰি সময়ৰ আগতে ইহসংসাৰৰপৰা গুছি যোৱা জনতাৰ শিল্পী ৰাজীৱ শদিয়াৰ অভাৱ সহজতে কোনোৱে যে পূৰাব পাৰিব তাত সন্দেহ প্ৰকাশ কৰে কণ্ঠশিল্পীগৰাকীয়ে। মৃত্যুৰ পূৰ্বে ৰাজীৱ শদিয়াৰ দৰে শিল্পীক ৰাইজে চিনি নোপোৱাতো চৰম দুৰ্ভাগ্যজনক বুলি অভিহিত কৰি তেওঁ এইক্ষেত্ৰত নিজেই লজ্জিত বুলি মন্তব্য কৰে। সহজলভ্য জনপ্ৰিয়তাৰ পিছত দৌৰাৰ পৰিৱৰ্তে ৰাজীৱ শদিয়াই নিৰৰে নিজৰ গান আৰু কণ্ঠেৰে অসমীয়াৰ স্বাভিমানক উদ্বেলিত কৰিছিল। কোনোদিনে নিজৰ স্থিতিৰপৰা আঁতৰি নগৈ শদিয়াই এটাৰ পাছত আনটো জাতি-মাটিৰ গান গাই গৈছিল। যিয়ে ৰাজীৱ শদিয়াক প্ৰকৃত গণশিল্পীৰ শাৰীলৈ লৈ গৈছিল বুলি উল্লেখ কৰে মহেন্দ্ৰ হাজৰিকাই। অনুষ্ঠানৰ মাজতে শিল্পীগৰাকীয়ে প্ৰয়াত ভকত শিৰোমণি, কালিচৰণ ব্ৰহ্ম বঁটা প্ৰাপক হৰেকৃষ্ণ মহন্ত আতাই প্ৰতিষ্ঠা কৰা বৰঙ্গাজুলি সত্ৰ পৰিদৰ্শন কৰি এঘণ্টা সময় সত্ৰাধিকাৰ নিৰঞ্জন বড়োৰ সৈতে বাৰ্তালাপ কৰে।

## জ্যোতিৰূপাৰ নাট সমাৰোহ আৰম্ভ

**ই-সংবাদ, গুৱাহাটী, ১৮ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ পথিকৃৎ সামাজিক-সাংস্কৃতিক অনুষ্ঠান জ্যোতিৰূপাৰ উদ্যোগত সপ্তদশ বাৰ্ষিক সিংহপুৰুষ ৰাধাগোবিন্দ পূৰ্ণাংগ নাট সমাৰোহ ১৬ ফেব্ৰুৱাৰীৰপৰা চাৰিদিনীয়াকৈ মহানগৰীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰাংগনৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আৰম্ভ হয়। প্ৰাককথনতে সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি নাট সমাৰোহ উদ্বোধন কৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী, সংগীত পৰিচালক ডা: হিতেশ বৰুৱাই। ডা: বৰুৱাই ভাষণত কয়-- আমি আত্মপ্ৰকাশৰ ভেটি গঢ় দিব লাগে। শিল্পীসমাজক আগুৱাই নিব লাগে। জ্যোতিৰূপাৰ সাধাৰণ সম্পাদক ড০ নৰেন হাজৰিকাই আদৰণি ভাষণ জনোৱা অনুষ্ঠানত স্মৰণিকা জ্যোতিৰূপা উন্মোচন কৰে সাহিত্যিক সূৰ্যকান্ত হাজৰিকাই। অনুষ্ঠানত বিশিষ্ট নাট্যশিল্পী, সমাজ সংস্কাৰক কাশ্মীৰী শইকীয়া বৰুৱাক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। সম্বৰ্দ্ধনা গ্ৰহণ কৰি জ্যোতিৰূপাৰ দৃষ্টিনন্দন চিন্তাক তেওঁ ভূয়সী প্ৰশংসা কৰে। ইয়াৰ পিছতে যোৰহাট থিয়েটাৰৰ নিবেদিত প্ৰশান্ত কটকী ৰচিত আৰু পবিত্ৰ বৰুৱা পৰিচালিত কলৰে পাততে কাউৰী পৰে মঞ্চস্থ কৰা হয়।



**চচলত বিশেষ টেট উত্তীৰ্ণৰ আমৰণ-অনশনস্থলীত বিৰোধী দলপতি দেৱব্ৰত শইকীয়া**

## নগাঁৱৰ দক্ষিণ-পূব বাৰগঞা সমাজৰ ষষ্ঠসংখ্যক ভাওনা সমাৰোহৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, পুৰণিগুদাম, ১৮ ফেব্ৰুৱাৰীঃ** নগাঁও চহৰৰ সমীপৰ পাঠৰী চাৰিআলিৰ তেলীয়া পুখুৰী পাৰত দক্ষিণ-পূব নগাঁও বাৰগঞা সমাজৰ উদ্যোগত ষষ্ঠসংখ্যক ভাওনা সমাৰোহৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। অহা ২১, ২২ আৰু ২৩ মাৰ্চত অনুষ্ঠিত হ'বলগা ভাওনা সমাৰোহৰ ১৬ ফেব্ৰুৱাৰীত আনুষ্ঠানিকভাৱে লাইখুঁটা স্থাপন কৰে দক্ষিণ-পূব নগাঁও বাৰগঞা সমাজৰ উদযাপন সমিতিৰ সভাপতি তথা নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। লাইখুঁটা স্থাপন কৰাৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে দক্ষিণ-পূব নগাঁও বাৰগঞা সমাজৰ প্ৰাক্তন কাৰ্যকৰী সভাপতিদ্বয় প্ৰফুল্ল চন্দ্ৰ মুক্তিয়াৰ আৰু ৰমেশ চন্দ্ৰ ভূঞাই। ধূপ প্ৰজ্বলন কৰে বাৰগঞা সমাজৰ উপদেষ্টাদ্বয় ৰামেশ্বৰ বৰা আৰু কমল চন্দ্ৰ শইকীয়াই। এই উপলক্ষে অনুষ্ঠিত এখন সভাত উদযাপন সমিতিৰ সভাপতি ৰূপক শৰ্মাই অনুষ্ঠানটো সুকলমে সম্পন্ন কৰাৰ ক্ষেত্ৰত সকলোৰে সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰে। দক্ষিণ-পূব নগাঁও বাৰগঞা সমাজৰ কাৰ্যকৰী সভাপতি যতীন্দ্ৰ নাথ সূত আৰু সাধাৰণ সম্পাদক চন্দ্ৰকান্ত কেঁওটে সামগ্ৰিকভাৱে আঁতধৰা অনুষ্ঠানটোত ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ ভূপেন বৰা, কলং-কপিলী চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ বিধান বৰুৱায়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত দক্ষিণ-পূব নগাঁও বাৰগঞা সমাজৰ ষষ্ঠসংখ্যক ভাওনা সমাৰোহ উদযাপন সমিতিৰ যুটীয়া সম্পাদক ধীৰেন চক্ৰৱৰ্তী, প্ৰদীপ চন্দ্ৰ বৰাৰ লগতে ভদ্ৰকান্ত মুক্তিয়াৰ, কুলেন চন্দ্ৰ বৰা, ৰাতুল কুমাৰ বৰা, ৰঞ্জিত কুমাৰ বৰা, ফুলধৰ হাজৰিকা, গোলাপ চন্দ্ৰ কলিতা, ভবেন বৰুৱা, দীনেশ হাজৰিকা, তুলাৰাম শইকীয়া, শৰৎ শইকীয়া, অঞ্জু কুমাৰ হাজৰিকা, নীলমণি বৰা, দীপক বৰা, শুভ প্ৰসাদ বাৰিক, ডঃ বসন্ত বৰা, জীতেন ভুঞা প্ৰমুখ্যে ডেৰ শতাধিক লোক উপস্থিত থাকে। ১৯৮৯ চনত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা এই ভাওনা সমাৰোহ প্ৰতি চাৰি বছৰৰ অন্তৰে-অন্তৰে অনুষ্ঠিত হৈ আহিছে।

# কুলামুৱাত উদ্বোধন মুকলি প্ৰেক্ষাগৃহ

**ই-সংবাদ বিশেষ, মাজুলী, ১৮ ফেব্ৰুৱাৰীঃ** মিচিং স্বায়ত্বশাসিত পৰিষদৰ ২০২২-২৩ বৰ্ষৰ উন্নয়ন পুঁজিৰ দ্বাৰা নিৰ্মিত নামনি কুলামুৱা গাঁৱৰ ৰঙ্গমঞ্চৰ মুকলি প্ৰেক্ষাগৃহটো আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। মিচিং স্বায়ত্বশাসিত পৰিষদৰ ২৩ নং লোহিত পৰিষদীয় সমষ্টিৰ প্ৰাক্তন সাধাৰণ সদস্য তথা এম এম কেৰ কেন্দ্ৰীয় সমিতিৰ সদস্য, বিশিষ্ট সমাজকৰ্মী মুকুল পেগুৱে আজি উক্ত মুকলি প্ৰেক্ষাগৃহটো মংগল ধ্বনিৰ মাজত ফিটাকাটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। নামনি কুলামুৱা উন্নয়ন সমিতিৰ সম্পাদক মালচন পেগুৱে আঁতধৰা উক্ত উদ্বোধনী অনুষ্ঠানত ৰাইজৰ সমাজ-সংস্কৃতিৰ চৰ্চাৰ বাবে উক্ত মুকলি প্ৰেক্ষাগৃহটো উদ্বোধন কৰি মুকুল পেগুৱে মিচিং কৃষিভিত্তিক উৎসৱ আলি-আ:য়ে-লৃগাং সম্পৰ্কীয় মিচিং বা:নে কৌবাঙৰ দ্বাৰা প্ৰকাশিত নিয়মাৱলীসমূহ বিতংকৈ নামনি কুলামুৱা গাঁৱৰ ৰাইজক অৱগত কৰে। উক্ত উদ্বোধনী অনুষ্ঠানত মাজুলী জিলা এম এম কে সমিতিৰ সম্পাদক নৱ দলে, সদস্য মনোজ পেগু, টি এম এম কেৰ মাজুলী জিলা সমিতিৰ সহঃ সম্পাদিকা জ্যোৎস্না দলে, লোহিত খাৰলু আঞ্চলিক শাখা শক্তিৰ সম্পাদক জগন্নাথ পেগু, সদস্য ৰঞ্জিত পেগু আদি উপস্থিত থাকি বিভিন্ন গঠনমূলক পৰামৰ্শ প্ৰদান কৰে। অনুষ্ঠানত নামনি কুলামুৱাৰ স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে বৃহত্তৰ নামনি কুলামুৱা অঞ্চলটোত উক্ত প্ৰেক্ষাগৃহটো নিৰ্মাণ কৰি মিচিং স্বায়ত্বশাসিত পৰিষদে এক বৃহৎ সামাজিক দায়িত্ব পালন কৰিলে।

# ধৰ্মপ্ৰাণ মহিলা বিমলা গোস্বামীৰ বিয়োগ

**ই-সংবাদ, বেবেজীয়া, ১৮ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ বটদ্ৰৱাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ জন্মস্থানৰ অন্তৰ্গত নৰোৱা নাতি আতা সত্ৰৰ সৰবৰহী, ধৰ্মপ্ৰাণ মহিলা বিমলা গোস্বামীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯০ বছৰ। শংকৰী কলা-কৃষ্টিৰ নিৰলস সেৱিকা বিমলা গোস্বামীয়ে একাগ্ৰতাৰে নাম-কীৰ্ত্তনৰ মাজেৰে নৰোৱা নাতি সত্ৰৰ মূল নামটি হিচাপে নাম-প্ৰসংগ কৰাৰ লগতে বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত আছিল। সৎ, অমায়িক আৰু মৰমীয়াল স্বভাৱৰ বয়সীয়ান আইগৰাকীৰ বিয়োগত স্থানীয় অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি তথা শ'লগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱমহন্ত, সাধাৰণ সম্পাদক টিকেন্দ্ৰজিৎ দেৱগোস্বামী, নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, নাতি নৰোৱা সত্ৰৰ নামঘৰ সমিতি, গোপিনীসকল, বটদ্ৰৱা প্ৰেছ ক্লাবকে প্ৰমুখ্যে কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিবিশেষে শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে । মৃত্যুৰ সময়ত তেওঁ চাৰিজন পুত্ৰ, তিনিগৰাকী জীয়ৰী, বোৱাৰী, জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক এৰি যায়।

# ডিব্ৰুগড় জিলা প্ৰশাসনৰ সৈতে ৰাষ্ট্ৰীয় চাফাই কৰ্মচাৰী আয়োগৰ উপাধ্যক্ষাৰ সভা

**ই-সংবাদ, ডিব্ৰুগড়, ১৮ ফেব্ৰুৱাৰীঃ** ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় চাফাই কৰ্মচাৰী আয়োগৰ উপাধ্যক্ষা অঞ্জনা পনৱাৰে ডিব্ৰুগড় জিলা প্ৰশাসন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ডিব্ৰুগড় পৌৰ নিগম তথা চাবুৱা, নাহৰকটীয়া আৰু নামৰূপ পৌৰসভা, সমাজকল্যাণ বিভাগ, শিক্ষা বিভাগ, শ্ৰম বিভাগ আৰু অন্যান্য সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে এখনি গুৰুত্বপূৰ্ণ সভাত আজি মিলিত হয়। সভাত চাফাই কৰ্মীসকল আৰু তেওঁলোকৰ পৰিয়ালৰ সামাজিক, অৰ্থনৈতিক আৰু শৈক্ষিক জীৱনৰ উৎকৰ্ষ সাধনৰ বাবে ল'বলগীয়া পদক্ষেপসমূহৰ বিষয়ে সবিস্তাৰে আলোচনা কৰা হয়। উপাধ্যক্ষাগৰাকীয়ে সভাত উপস্থিত চাফাই কৰ্মচাৰীসকলৰ সৈতে মতবিনিময় কৰি তেওঁলোকৰ অভাৱ-অভিযোগসমূহৰ বুজ লোৱাৰ লগতে প্ৰতিগৰাকী চাফাই কৰ্মচাৰীৰ জীৱনধাৰণৰ মানদণ্ড উন্নত কৰিবলৈ যাৱতীয় সা-সুবিধা প্ৰদান কৰাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। পৌৰনিগম তথা পৌৰসভাসমূহৰ লগতে বিভিন্ন বিভাগ আৰু প্ৰতিষ্ঠানত কৰ্মৰত প্ৰতিগৰাকী চাফাইকৰ্মীৰ বাবে বতৰৰ অনুকূল ইউনিফৰ্ম, জোতা আদি বিভাগীয়ভাৱে যোগান ধৰাৰ লগতে প্ৰতিগৰাকী চাফাই কৰ্মীৰ নিয়মিত স্বাস্থ্য পৰীক্ষা আৰু স্বাস্থ্য বীমা কৰিবলৈয়ো নিৰ্দেশ দিয়ে। তদুপৰি সভাত উপস্থিত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলক চৰকাৰী আঁচনিসমূহৰ বিষয়ে চাফাইকৰ্মীসকলক অৱগত কৰি আঁচনিসমূহৰ দ্বাৰা তেওঁলোকক উপকৃত কৰিবলৈয়ো উপাধ্যক্ষাগৰাকীয়ে নিৰ্দেশ দিয়ে। এই সভাত জিলা আয়ুক্ত বিক্ৰম কৈৰী, ডিব্ৰুগড় জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিপুল কুমাৰ দাস প্ৰমুখ্যে ডিব্ৰুগড় পৌৰ নিগম তথা চাবুৱা, নাহৰকটীয়া আৰু নামৰূপ পৌৰসভাৰ কাৰ্য্যবাহী বিষয়াসকল আৰু চাফাই কৰ্মচাৰী সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# মাকুমৰ গংগাবাড়ীস্থিত কেশৱ বাহেতী সূৰ্যোদয় শিশুগৃহৰ নৱম প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১৮ ফেব্ৰুৱাৰীঃ** ২০১৭ চনৰ ১৮ ফেব্ৰুৱাৰীত তিনিচুকীয়া জিলাৰ উদ্যোগ নগৰী মাকুমৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'সূৰ্যোদয়'ৰ উমাল সান্নিধ্যত আত্মপ্ৰকাশ কৰা মাকুমৰ সমীপৰ গংগাবাড়ীস্থিত অনাথ শিশুৰ আশ্ৰয়স্থল কেশৱ বাহেতী সূৰ্যোদয় শিশুগৃহৰ নৱম প্ৰতিষ্ঠা দিৱসটি আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাৰ আৰম্ভণিতে কেশৱ বাহেতীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই। শিশুসকলৰ দ্বাৰা প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা তথা বিশিষ্ট অনাতাঁৰ শিল্পী বীণা দেৱী বৰদলৈয়ে। সভাত আদৰণি ভাষণ আগবঢ়ায় শিশুগৃহ পৰিচালনা সমিতিৰ সভাপতি তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, শিক্ষাবিদ, বিশিষ্ট সাংবাদিক-সমাজকৰ্মী অৰ্জুন বৰুৱাই। সভাত চিকিৎসক ডা: মনজিৎ সিং, ডা: বিনয় ফুকন, অধ্যাপক ড° অঞ্জন শইকীয়া আৰু বিশিষ্ট সাংবাদিক ৰাণাজ্যোতি নেওগক শিশুগৃহটিৰ শিশুসকলৰ বাবে কৰা বিশেষ সেৱাৰ বাবে সম্বৰ্ধনা জনায়। অনুষ্ঠানত বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই কেশৱ বাহেতী সূৰ্যোদয় শিশুগৃহৰ লগত এক বুজাবুজি চুক্তি কৰাৰ কথা অৱগত কৰে। অনুষ্ঠানত বীণাদেৱী বৰদলৈ আৰু প্ৰণিতা সন্দিকৈয়ে শিশুগৃহটোলৈ ১০ হেজাৰ টকাৰ বৰঙণি আগবঢ়ায়। শিশুগৃহৰ শিশুসকলে নৃত্য-গীত, কবিতা আবৃত্তি, নাটক আদি পৰিৱেশন কৰি অনুষ্ঠানটি মনোগ্ৰাহী কৰি তোলে। অনুষ্ঠানত জ্যেষ্ঠ চিকিৎসক ডা: হৰিনাৰায়ণ বৰকটকী, বিশিষ্ট নিবন্ধকাৰ তথা অসম চৰকাৰৰ সাংবাদিক পেন্সনাৰ অমূল্য খাটনিয়াৰ, তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক ৰূপম কাকতি, ব্যৱসায়ী নাৰায়ণ বাহেতী, বিশিষ্ট সমাজসেৱক ললিত গগৈ, লেখক বিমল বৰগোঁহাই, লেখক-সাংবাদিক মনোৰঞ্জন মৰাণ, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সহঃ সাধাৰণ সম্পাদক তথা বৰপেটাৰ ন-সত্ৰস্থিত কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ বিতু ডেকাকে প্ৰমুখ্যে আন বহুকেইগৰাকী বিশিষ্ট তথা গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ আঁতধৰে শিশুগৃহ পৰিচালনা সমিতিৰ সম্পাদক অখিল চন্দ্ৰ বৰুৱা আৰু ননীগোপাল দত্তই। এই অনুষ্ঠানটিক লৈ সকলোৱে সন্তুষ্টি ব্যক্ত কৰিছে।

# খেলৰ সামগ্ৰী যোগানৰ নামত নলবাৰীত ব্যাপক অনিয়ম

**ই-সংবাদ, নলবাৰী, ১৮ ফেব্ৰুৱাৰীঃ** নলবাৰীৰ বহু বিদ্যালয়ত চৰকাৰীভাৱে যোগান ধৰা খেলৰ সামগ্ৰী, শিকন সামগ্ৰীৰ ধনৰ সদ্ব্যৱহাৰ নোহোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, নলবাৰীৰ প্ৰতিটো শিক্ষা খণ্ডৰ এলেকাৰ চৰকাৰী কেইবাশ উচ্চ প্ৰাথমিক (এমই, এমভি) আৰু প্ৰাথমিক বিদ্যালয়ত বছৰি শিক্ষণ সামগ্ৰী আৰু বিভিন্ন খেলাৰ সামগ্ৰী কিনাৰ নামত ধন যোগান ধৰা হয়। সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকৰ দ্বাৰা যোগান ধৰা উক্ত ধন একাংশ বিদ্যালয়ৰ প্ৰধান শিক্ষকে সঠিকভাৱে খৰছ নকৰা বুলি অভিযোগ উঠিছে। অভিযোগ অনুসৰি একাংশ বিদ্যালয়ৰ বিদ্যালয় প্ৰধান তথা বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদকে বিভাগীয়ভাৱে যোগান ধৰা ধনেৰে বছৰি নতুন শিক্ষণ সামগ্ৰী কিনা দেখুৱাই মিছা ভাউচাৰ দাখিল কৰি চৰকাৰী ধন কুক্ষিগত কৰি আহিছে। চৰকাৰে প্ৰতিবছৰে বিদ্যালয়লৈ বিভিন্ন শিতানত ধন যোগান ধৰি আহিছে যদিও জিলাখনৰ বহু স্কুলত ব্যৱহাৰৰ উপযোগী পৰিস্কাৰ ফিল্টাৰ এটাও নাই। আওপুৰণি পানী ফিল্টাৰে ব্যৱহাৰ কৰি থকা হৈছে। লক্ষ্যণীয়ভাৱে এনে অভিযোগ উত্থাপিত হৈ থকাৰ সময়তে সোমবাৰে সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকৰ নিৰ্দেশমৰ্মে বিদ্যালয়ত শিকন-পাঠদানৰ মান পৰ্যবেক্ষণ আৰু বিভিন্ন সামগ্ৰীৰ মান পৰিদৰ্শনৰ বাবে ৰাজ্যিক শিক্ষা বিভাগৰ উচ্চ পৰ্যায়ৰ এটা প্ৰতিনিধি দলে জিলাখনৰ কেইবাখনো বিদ্যালয় পৰিদৰ্শন কৰে। প্ৰতিনিধি দলটোৱে নিয়মমাফিক এনে বিদ্যালয় পৰিদৰ্শক কৰা বুলিও চৰ্চিত হৈছে। জিলা শিক্ষা বিভাগে আগতে নিৰ্ধাৰিত কৰি থোৱা একাংশ বাছা বাছা স্কুল পৰিদৰ্শন কৰিববলৈ প্ৰতিনিধি দলটোক লৈ যোৱা হৈছে বুলিও ৰাইজৰ মাজত সৰব চৰ্চা হৈছে। মিছন সঞ্চালকৰ নিৰ্দেশমৰ্মে অহা প্ৰতিনিধি দলটোক স্ব-সিদ্ধান্তত অতৰ্কিতে ভিতৰুৱা অঞ্চলৰ তথা দুৰ্বল আন্তঃগাঁথনিৰ চৰকাৰী বিদ্যালয়ত শিকন পাঠদানৰ মান, বিভিন্ন সামগ্ৰীৰ মান, বিশুদ্ধ খোৱা পানীৰ মান পৰিদৰ্শন কৰিববলৈ শৈক্ষিক মহলে আহ্বান জনাইছে।



ক্ৰিকেটৰ বতৰত মৰুৰ দেশৰ আবেলি এনেদৰে ব্যস্ত হৈ পৰিল কেইজনমান আফগান যুৱক



চেম্পিয়নছ ট্ৰফীৰ পূৰ্বে ডুবাইত যুঁজৰ অনুশীলন ভাৰতৰ আয়াৰ, ৰোহিত, পাণ্ডিয়া, জাডেজা, অৰ্শ্বদ্বীপৰ

### ষ্টেডিয়ামত বহি উপভোগ কৰিব পাৰিব ৰাজস্থান ৰয়েলছৰ অনুশীলন

# দ্বিতীয় গৃহ চহৰ গুৱাহাটীত অনুশীলনত ব্যস্ত ৰিয়ান, নীতিশ, ধ্ৰুৱ

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰীঃ** 'এটা দল, দুখন ঘৰ। জন্ম ৰাজস্থানত, উদযাপন অসমত'- এই শ্ল'গানৰে আসন্ন ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ বাবে গুৱাহাটীক নিজৰ দ্বিতীয়খন ঘৰ হিচাপে বাচি লৈছে ৰাজস্থান ৰয়েলছে। দলটোৱে অসমৰ ক্ৰিকেটপ্ৰেমীসকলক এবাৰ আকৌ বিশেষ উপহাৰ দিবলৈ সাজু হৈছে। অহা ২১ ফেব্ৰুৱাৰীৰ পৰা ২২ ফেব্ৰুৱাৰীলৈ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছৰ খেলুৱৈসকলৰ অনুশীলন দৰ্শকে গেলেৰীত বহি উপভোগ কৰিব পাৰিব। এই সুযোগ বিনামূলীয়া হ'ব। উল্লেখ্য যে, অসমত প্ৰথমবাৰৰ বাবে দৰ্শকে ষ্টেডিয়ামত বহি উপভোগ কৰিব পাৰিব আইপিএল দলৰ অনুশীলন। ইফালে, ৰাজস্থান ৰয়েলছে আজিৰে পৰা এ চি এ ষ্টেডিয়ামত অনুশীলন আৰম্ভ কৰিছে। প্ৰথমদিনা অনুশীলনত অসমৰ ৰিয়ান পৰাগ, নীতিশ ৰানা, ধ্ৰুৱ জুৰেল, বৈভৱ সূৰ্যবংশী, অশোক শৰ্মা, আকাশ মাধৱাল আৰু সন্দিপ শৰ্মাই অংশগ্ৰহণ কৰে। দলটোৰ মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাবিড় আৰু স্পিন বলিং প্ৰশিক্ষক ছৈৰাজ বহুতুলেও অনুশীলনত উপস্থিত থাকে। প্ৰণিধানযোগ্য যে, এইবাৰ ৰাজস্থান ৰয়েলছে গুৱাহাটীত কেৱল মেচেই নহয়, অনুশীলন শিবিৰো পাতিছে। দলটোৱে আইপিএলৰ প্ৰথমখন ঘৰুৱা মেচ ২৬ মাৰ্চত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে খেলিব। তাৰ পিছত ৩০ মাৰ্চত চেন্নাই ছুপাৰ কিংছৰ সৈতে দ্বিতীয়খন মেচ খেলিব। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে ২৩ মাৰ্চত হায়দৰাবাদত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে ছিজনৰ প্ৰথমখন মেচ খেলিব। ক্ৰমাগত তৃতীয়বাৰৰ বাবে গুৱাহাটীক ঘৰুৱা মেচৰ স্থান হিচাপে বাছনি কৰা ৰাজস্থান ৰয়েলছে উত্তৰ-পূৰ্বৰ ক্ৰিকেটপ্ৰেমীসকলৰ প্ৰতি বিশেষ সঁহাৰি দেখুৱাইছে। উল্লেখ্য যে, যোৱা দুটা ছিজনত উত্তৰ-পূৰ্বৰ দৰ্শকে ৰাজস্থান ৰয়েলছক অকৃত্ৰিম মৰমেৰে আদৰি লৈছিল, যাৰ বাবে দলটোৱে পুনৰ গুৱাহাটীক বাছনি কৰিছে।

# আছে ক্ষোভ! কিন্তু অলিম্পিক সন্থাৰ পৰা পদত্যাগ কৰা নাই মেৰী কমে

**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰীঃ** ভাৰতীয় অলিম্পিক সন্থাক লৈ ব্যক্ত কৰা ক্ষোভৰ পিছতে অলিম্পিক সন্থাৰ এথলীটছ কমিছনৰ পৰা বক্সাৰ মেৰী কমে পদত্যাগ কৰাৰ বিষয়ে প্ৰচাৰ হৈছিল খবৰ। কিন্তু শেহতীয়াকৈ এই সন্দৰ্ভত স্পষ্ট কৰি দি মেৰী কমে কয় যে তেওঁৰ মন্তব্যৰ ভুল ব্যাখ্যা কৰা হৈছে আৰু তেওঁ এতিয়াও এথলীটছ কমিছনৰ পৰা পদত্যাগ কৰা নাই। ২০২৬ চনলৈকে তেওঁৰ কাৰ্যকাল সম্পূৰ্ণ কৰিব বুলিও স্পষ্ট কৰি দিয়ে মেৰীয়ে। পিটিআইৰ সৈতে হোৱা এক সাক্ষাৎকাৰত মেৰীয়ে কয়, "মই কেতিয়াও পদত্যাগ কৰিছো বুলি কোৱা নাছিলো। ভৱিষ্যতে যদি মোৰ লগত এনে ব্যৱহাৰ হয় তেন্তে মই পদত্যাগ কৰাৰ কথা চিন্তা কৰিম। অৱশ্যে মই কেতিয়াও পদত্যাগ ঘোষণা কৰা নাছিলো।" তেওঁ লগতে কয়, "অলিম্পিক সন্থা মোৰ পৰিয়ালৰ দৰেই, আৰু যদি কেতিয়াবা কিবা ভুল অনুভৱ হয় তেন্তে কোৱাৰ অধিকাৰ মোৰ আছে। কিন্তু তাৰ অৰ্থ এইটো নহয় যে মই পদত্যাগ কৰিম।" দেওবাৰে মেৰীয়ে অলিম্পিক সন্থাৰ হোৱাটছএপ গ্ৰুপলৈ পদত্যাগ ঘোষণা কৰি বাৰ্তা প্ৰেৰণ কৰি লিখিছিল, "আই অ' এৰ সৈতে মোৰ সময়খিনি বৰ ভাল আছিল, মোৰ জীৱনৰ অন্যতম শ্ৰেষ্ঠ সময় আছিল। আক্ষেপৰ সৈতে মই পদত্যাগ ঘোষণা কৰিছো। আই অ' এৰ বাবে শুভেচ্ছা।" এতিয়া মেৰীয়ে পুনৰ নিজৰ স্থিতি স্পষ্ট কৰিছে। মেৰীয়ে লগতে কয় যে তেওঁ এতিয়াও অলিম্পিক সন্থাৰ সভাপতি পি টি উষাৰ সৈতে কথা পতা নাই। অৱশ্যে তেওঁ অতি সোনকালে কথা পাতিব আৰু তেওঁ আৰু উষাৰ মাজত ভাল সম্পৰ্ক আছে বুলি উল্লেখ কৰে। মেৰীয়ে কয়, "মোৰ ফোনটো হেৰাই গ'ল, গতিকে মই এতিয়াও কথা পতা নাই, কিন্তু কথা পাতিম।" উল্লেখ্য যে, ২০২২ চনত উষাই ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি হোৱাৰ পিছতে গঠন কৰা হৈছিল এথলীটছ কমিছন। আয়োগৰ উদ্দেশ্য আছিল খেলুৱৈসকলৰ সমস্যা আৰু মতামত অলিম্পিক সন্থালৈ প্ৰেৰণ কৰা।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি